সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩২ বছৰ, ২৮ সংখ্যা, ২৭ আহাৰ, ৰবিবাৰ,১৪৩৩ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 28 Date of Publication- 12 July 2026 Rs. 10.00/-

## অসমত চৰকাৰী ভূমি আবণ্টনৰ বাবে ৩ প্ৰজন্মৰ নিয়ম



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত ৰাজ্যিক কেবিনেট বৈঠক অনুষ্ঠিত হয়। এই ৰাজ্যিক কেবিনেটত চৰকাৰী ভূমি আবণ্টন দিয়াৰ ক্ষেত্ৰত এক স্থিৰ নীতি গ্ৰহণ কৰে।ত্ৰসইমৰ্মে ভূমি নীতিৰ সংশোধন অনুসৰি বৈধ নথিপত্ৰৰ ভিত্তিত ১৯৭১ চনৰ ২৪ মাৰ্চৰ পূৰ্বে শৰণাৰ্থী হিচাপে অসমলৈ অহা লোকসকলক বাদ দি চৰকাৰী ভূমি আবণ্টনৰ ক্ষেত্ৰত কেৱল সেইসকল লোককহে ভূমিহীন ব্যক্তি হিচাপে গণ্য কৰা হ'ব, যিসকলৰ পৰিয়ালৰ অন্ততঃ তিনিটা প্ৰজন্ম ধৰি অসমত বসবাস কৰি আহিছে। কাৰ্যতঃ তিনিটা প্ৰজন্মৰ ( তিনিপৃষ্ঠাত চাওক)

## ভিয়েটনামত নাও দুৰ্ঘটনাত ১৫ ভাৰতীয় পৰ্যটকৰ মৃত্যু



ৰঙিলী বাৰ্ত্তাসেৱা- ভিয়েটনামত শনিবাৰে এখন নাও দুৰ্ঘটনাগ্ৰস্ত হয়। ভিয়েটনামৰ ফু কুৱক দ্বীপৰ সমীপত ৩২জন ভাৰতীয় যাত্ৰী আৰু চাৰিজন কৰ্মচাৰী কঢ়িয়াই নিয়া এখন স্পীড ব'ট লুটি খাই বুৰ যোৱাত ১৫জন ভাৰতীয় পৰ্যটকৰ মৃত্যু হয়। নাওখনত থকা বেছিভাগ যাত্ৰীয়েই ভাৰতীয় পৰ্যটক। এই ঘটনাত সন্ধানহীন হৈ পৰা পৰ্যটকসকলৰ সন্ধান আৰম্ভ কৰিছে উদ্ধাৰকাৰী দলে। উদ্ধাৰ কাৰ্যত নামিছে ডুবাৰু বাহিনী। জানিব পৰা মতে, নাও দুৰ্ঘটনাটো ঘটে ভিয়েটনামৰ ফু কুৱক দ্বীপৰ ওচৰত। স্থানীয় কৰ্তৃপক্ষৰ পোৱা তথ্য অনুসৰি নাওখনেই হন মে ৰুটৰ পৰা পৰ্যটকক লৈ আন বন্দৰলৈ গৈ আছিল। দুপৰীয়া ( দহ পৃষ্ঠাত চাওক)

## নিৰ্মিয়মান আৰক্ষী ৰিজাৰ্ভ আৰু ৰাজ্যিক চিৰিয়াখানা পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পল্টন বজাৰস্থিত অসম আৰক্ষী বিজাৰ্ভ চৌহদ আৰু অসম ৰাজ্যিক চিৰিয়াখানা আৰু উদ্ভিদ উদ্যানত চলি থকা উন্নয়নমূলক কাম পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই গুৱাহাটীৰ পল্টনবজাৰস্থিত অসম আৰক্ষী ৰিজাৰ্ভ চৌহদৰ আন্তঃগাঁথনি পুনৰ নিৰ্মাণৰ কাম পৰিদৰ্শন কৰে। নতুনকৈ নিৰ্মাণ কৰি ( দুই পৃষ্ঠাত চাওক)

## প্ৰতি প্লেট কণীত ৩০ টকাকৈ দাম বৃদ্ধি



ৰঙিলী বাৰ্ত্তাসেৱা- সৰ্বসাধাৰণৰ মূৰত পুনৰ ৰামটাঙোন পুনৰ কণীৰ মূল্য বৃদ্ধি পাইছে। প্ৰতি প্লেট কণীৰ দাম ৩০ টকাকৈ বৃদ্ধি পোৱাৰ ফলত বজাৰত এতিয়া প্ৰতি প্লেট কণীৰ দাম প্ৰায় ২৫০ টকাৰ পৰা ৠৠ টকাৰ ভিতৰত বিক্ৰী হৈছে। উল্লেখ্য যে শুকুৰবাৰে সন্ধিয়াৰ ভাগলৈকে ৰাজ্যৰ বজাৰত ৭ টকাকৈ উপলব্ধ হৈ থকা সাধাৰণ কণী শনিবাৰে পুৱাৰে পৰা ৠ টকাকৈ বিক্ৰী হৈ আছে। সাধাৰণ ফাৰ্মৰ কণীৰ লগে লগেই বৃদ্ধি পাইছে বাহুবলীৰ দৰে ব্ৰেণ্ডেড ফাৰ্মৰ কণীৰ দামো। একাংশ ব্যৱসায়ীয়ে সদৰী কৰা মতে, কালি দিনৰ ভাগলৈকে এক প্লেট অৰ্থাৎ ৩০টা সাধাৰণ কণী ২১০ টকা দামত বিক্ৰী হৈ আছিল। একেদৰে বাহুবলীৰ দৰে ( তিনিপৃষ্ঠাত চাওক)

## ভাৰতৰ ওপৰত ৫০০ শতাংশ শুল্ক আৰোপ কৰিবলৈ ওলাইছে ট্ৰাম্পে



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাছিয়াৰ পৰা খাৰুৱা তেল ক্ৰয় কৰি থকা দেশসমূহৰ বিৰুদ্ধে কঠোৰ নিষেধাজ্ঞা আৰোপ কৰাৰ বাবে আমেৰিকাই এক নতুন বিধেয়ক আনিবলৈ প্ৰস্তুতি চলাইছে। যাৰ প্ৰত্যক্ষ প্ৰভাৱ ভাৰতৰ ওপৰত পৰিব পাৰে। এইবাৰ ভাৰতৰ ওপৰত ৫০০ শতাংশ শুল্ক আৰোপ কৰিবলৈ ওলাইছে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে। এই দিশত বহুখিনি আগবাঢ়িছে মাৰ্কিন প্ৰশাসন। জানিব পৰা মতে, ৪ গৰাকী মাৰ্কিন ছিনেটৰে নতুন এখন আইন গৃহীত কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। এই আইনৰ মৰ্মাৰ্থ অনুসৰি যিবোৰ ( চাৰিপৃষ্ঠাত চাওক)

## নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰীৰে বৈঠকত বহিল নৰেন্দ্ৰ মোদী



ৰঙিলী বাৰ্ত্তাসেৱা- ত্ৰিদেশীয় ভ্ৰমণসূচীত ইণ্ডোনেছিয়া আৰু অষ্ট্ৰেলিয়াৰ পাছত ১০ জুলাইত নিউজিলেণ্ডত উপস্থিত হৈছিল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। প্ৰধানমন্ত্ৰী মোদীৰ এই তিনি দেশীয় ভ্ৰমণৰ পৰিণাম সন্দৰ্ভত ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে সামাজিক মাধ্যম এক্সত প্ৰকাশ কৰে। মন্ত্ৰালয়ে কয়, 'ইণ্ডোনেছিয়া, অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ড, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এই তিনি দেশীয় ভ্ৰমণে বাণিজ্য, প্ৰযুক্তি, নিৰাপত্তা, শিক্ষা, উদ্ভাৱন তথা জনসাধাৰণৰ সৈতে জনসাধাৰণৰ বিনিময়কে ধৰি আন বহু ক্ষেত্ৰত সহযোগিতা বৃদ্ধি কৰালে।' প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নিউজিলেণ্ডত পদাৰ্পণ কৰাত দেশখনৰ ( দুই পৃষ্ঠাত চাওক)

# নিৰ্মিয়মান আৰক্ষী ৰিজাৰ্ভ

থকা পুলিচ ৰিজাৰ্ভত উপস্থিত হৈ মুখ্যমন্ত্ৰীয়ে নিৰ্মাণ কাৰ্যৰ অগ্ৰগতিৰ বুজ লয়। পানবজাৰ আৰক্ষী ছাউনীৰ নতুন অট্টালিকা পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰীয়ে সংবাদ মাধ্যমৰ আগত কয়, পূৰ্বে পুলিচৰ এশ-ডেৰশ বিষয়া বা কনিষ্টবলসকল আছিল। এই গোটেই প্ৰকল্পটো ৬০৬ কোটি টকা ব্যয় কৰি নতুনকৈ কৰা হৈছে। তেওঁ লগতে কয়, নিৰ্মাণ হৈ থকা আৰক্ষীৰ নতুন ভৱনটোত ৬০০ পৰিদৰ্শক, উপ-পৰিদৰ্শক আৰু জোৱান থাকিব পাৰিব। নৱনিৰ্মিত প্ৰকল্পত এখন স্কুল, এটা মন্দিৰ, এটা নামঘৰ আৰু এখন খেলপথাৰ থাকিব। গুৱাহাটী পুলিচ ৰিজাৰ্ভৰ কাৰ্যালয় থাকিব। এই প্ৰকল্পৰ অংশ হিচাপে পানবজাৰত ৪২ গৰাকী আৰক্ষী বিষয়া থাকিব পৰা অফিচাৰ মেছ নিৰ্মাণ কৰি থকা হৈছে । এই সম্পূৰ্ণ প্ৰকল্পটো ডিচেম্বৰ-জানুৱাৰীত সম্পূৰ্ণ কৰাৰ প্ৰয়াস কৰা হৈছে। প্ৰকল্পৰ সন্মুখত মাল্টিলেভেল কাৰ পাৰ্কিং কৰা হৈছে । ইয়াত গুৱাহাটী আৰক্ষীৰ সকলো বাহন পাৰ্কিঙত ৰখা হ'ব, এই কথা মুখঞ্জয়মন্ত্ৰীয়ে জনায়। আনহাতে পুলিচ ৰিজাৰ্ভৰ পাছতে মুখ্যমন্ত্ৰী অসম ৰাজ্যিক চিৰিয়াখানাত উপস্থিত হৈ চিৰিয়াখানাৰ নিৰ্মাণকাৰ্য পৰিদৰ্শন কৰি কামৰ অগ্ৰগতিৰ বুজ লয়। চিৰিয়াখানাত উপস্থিত হোৱা মুখ্যমন্ত্ৰীয়ে চিৰিয়াখানাখনৰ নিৰ্মীয়মাণ পশু চিকিৎসালয়, বন্যপ্ৰাণী পুনৰুদ্ধাৰ কেন্দ্ৰ, সংগ্ৰহালয় আদি পৰিদৰ্শন কৰি পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা প্ৰমুখ্যে পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগ, লোকনিৰ্মাণ বিভাগৰ উচ্চস্তৰীয় বিষয়াসকলৰ সৈতে এখন বৈঠকত অংশগ্ৰহণ কৰে। চিৰিয়াখানাখনৰ নিৰ্মীয়মাণ পশু চিকিৎসালয়খন দেশৰ আগশাৰীৰ পশু চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰি নিৰ্মাণ কৰিবলৈ, দৰ্শনাৰ্থীৰ সুবিধা হোৱাকৈ চিৰিয়াখানাৰ ভিতৰত ৰে'লৰ ব্যৱস্থা কৰাৰ সম্ভৱনীয়তা বিচাৰ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে পৰামৰ্শ দিয়ে। সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- অসম চৰকাৰে ৩৬০ কোটি টকা ব্যয়েৰে অসম ৰাজ্যিক চিৰিয়াখানা আৰু উদ্ভিদ উদ্যানৰ আধুনিকীকৰণৰ কাম কৰি আছে। এই কামসমূহৰ ভিতৰত চিৰিয়াখানা চাবলৈ অহা দৰ্শনাৰ্থী আৰু চিৰিয়াখানাত থকা বন্যজীৱ সকলোৰে সুবিধা হোৱাকৈ চিৰিয়াখানাখন গঢ়ি তোলা হ'ব। ইয়াৰ ভিতৰত আছে অত্যাধুনিক পশু চিকিৎসালয়, জীৱ-জন্তু উদ্ধাৰ কেন্দ্ৰ আৰু আৰু পৃথিৱীৰ ভিতৰতে পক্ষী থকা এক বৃহৎ গঁৰাল। এই কামসমূহ ক্ষিপ্ৰতাৰে চলি আছে। ইতিমধ্যে প্ৰকল্পটোৰ ২৭ শতাংশ কাম সম্পূৰ্ণ হৈছে। দেশৰ আগশাৰীৰ চিৰিয়াখানালৈ গৈ তাৰ ভাল ভাল উপাদানবোৰ গ্ৰহণ কৰি চিৰিয়াখানাখন সৰ্বাংগসুন্দৰ আৰু বন্যজীৱৰ বাবে অনুকূল হোৱাকৈ নিৰ্মাণ কৰা হ'ব। ইতিমধ্যে বন বিভাগ তথা চিৰিয়াখানাৰ বিষয়াসকলক নিৰ্দেশ দিয়া হৈছে যে দেশৰ ভাল ভাল চিৰিয়াখানাসমূহ পৰিদৰ্শন কৰি তাত থকা সুবিধাসমূহ ইয়াত সংযোজন কৰিব লাগে। বেংগালুৰু, মহীশূৰ, গুজৰাটৰ চৰ্দাৰ পেটেল পাৰ্ক, ছিংগাপুৰৰ চিৰিয়াখানা এই সকলোবোৰ পৰিদৰ্শন কৰি ৰাজ্যিক চিৰিয়াখানাখন দেশৰ ভিতৰতে যাতে সুন্দৰ হয়, তাৰ ওপৰত গুৰুত্ব দিয়া হ'ব। আনহাতে চিৰিয়াখানাখনত দৰ্শনাৰ্থীৰ সুবিধা হোৱাকৈ ৰে'লৰ ব্যৱস্থা কৰাৰ সম্ভাৱনীয়তাক বিচাৰ কৰিবলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। চিৰিয়াখানাৰ নিৰ্মাণকাৰ্য পৰিদৰ্শনৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে চিৰিয়াখানাত থকা তিনিটা ৰেড পাণ্ডাৰ স্বাস্থ্যৰ বুজ লয়। চিৰিয়াখানা পৰিদৰ্শনকালত পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা প্ৰমুখ্যে পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগ, লোকনিৰ্মাণ বিভাগৰ উচ্চস্তৰীয় বিষয়াসকল উপস্থিত থাকে।

# নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰীৰে

ফালৰ পৰা তেওঁক 'ৰাজকীয় অভ্যৰ্থনা' প্ৰদান কৰা হয়। শনিবাৰে পুৱাৰ ভাগতে ৰাজধানী অকলেণ্ডৰ গৱৰ্নমেণ্ট হাউছত প্ৰশান্ত মহাসাগৰীয় দ্বীপৰাষ্ট্ৰখনৰ আদি বাসিন্দা মাওৰী জনজাতিৰ ঐতিহ্যবাহী 'পাওহিৰি' অনুষ্ঠানৰ জৰিয়তে আনুষ্ঠানিক আৰু ৰাজকীয়ভাৱে আদৰণি জনোৱা হয় প্ৰধানমন্ত্ৰী মোদীক। সুদীৰ্ঘ ৪০ বছৰৰ ভিতৰত এয়াই আছিল কোনো ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম নিউজিলেণ্ড ভ্ৰমণ। এই উপলক্ষে তাত তিনিতৰপীয়া সৰ্বোচ্চ নিৰাপত্তাৰ বেষ্টনী ঘোষণা কৰা হৈছে। ২৭ বছৰ পূৰ্বে ১৯৯৯ চনত সেই সময়ৰ মাৰ্কিন ৰাষ্ট্ৰপতি বিল ক্লিন্টনৰ ভ্ৰমণৰ পিছত এই প্ৰথমবাৰ মোদীৰ বাবে সৰ্বোচ্চ নিৰাপত্তাৰ বেষ্টনী গঢ়ি তুলিছিল নিউজিলেণ্ডে। শুকুৰবাৰে সন্ধিয়া বিশেষ বিমান 'ইণ্ডিয়া ৱান'ত অষ্ট্ৰেলিয়াৰ পৰা গৈ অকলেণ্ডত উপস্থিত হয় মোদী। বিমানবন্দৰত তেওঁক আদৰণি জনাবলৈ প্ৰট'কল ভাঙি উপস্থিত থাকে সেই দেশৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্টোফাৰ লাক্সন। বিদেশ মন্ত্ৰালয়ৰ তৰফৰ পৰা জনোৱা হৈছে যে মোদীৰ এই দুদিনীয়া ভ্ৰমণৰ মূল লক্ষ্য হ'ল কৌশলগত অংশীদাৰিত্ব আৰু দ্বিপাক্ষিক বাণিজ্যিক তথা অৰ্থনৈতিক সহযোগিতা বৃদ্ধি। ৰাজকীয় সম্বৰ্ধনাৰ পিছতে মোদী আৰু লাক্সনে দ্বিপাক্ষিক প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত যোগ দিয়ে। বৈঠকৰ পূৰ্বে মোদীয়ে কয়, 'ভাৰত আৰু নিউজিলেণ্ড স্বাভাৱিক মিত্ৰ। এই মিত্ৰতাক নতুন উচ্চতালৈ নিয়াই আমাৰ লক্ষ্য।' প্ৰধানমন্ত্ৰী মোদী আৰু নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী লাক্সনৰ মাজত শনিবাৰে অনুষ্ঠিত বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হয় । দুয়োখন দেশে কৌশলগত অংশীদাৰিত্ব ঘোষণা কৰি ২০৩০ চনৰ ভিতৰত দ্বিপাক্ষিক বাণিজ্য দুগুণ কৰি প্ৰায় ৩৫, ০০০ কোটি টকা কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰে । এই বৈঠকত ১০খন চুক্তিকে ধৰি ১৮টা সুনিৰ্দিষ্ট ফলাফল পোৱা গৈছিল । বৈঠকত চাৰি বছৰত দুয়োখন দেশৰ মাজত সহযোগিতা বৃদ্ধিৰ বিশদ পৰিকল্পনাৰ ৰূপৰেখা দাঙি ধৰা হয়। ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত সামুদ্ৰিক সহযোগিতা শক্তিশালী কৰা, ভাৰতীয় নৌসেনা আৰু নিউজিলেণ্ড প্ৰতিৰক্ষা বাহিনীৰ মাজত লজিষ্টিক সহযোগিতা বৃদ্ধি কৰা, বিভিন্ন ক্ষেত্ৰত প্ৰতিষ্ঠানিক অংশীদাৰিত্ব আগবঢ়াই নিয়া আদি চুক্তিসমূহৰ ভিতৰত অন্যতম। বৈঠকৰ পিছত জাৰি কৰা এক যৌথ বিবৃতিত দুয়োখন দেশে মুকলি, নিৰাপদ আৰু নিয়মভিত্তিক ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ প্ৰতি নিজৰ প্ৰতিশ্ৰুতি পুনৰবাৰ প্ৰকাশ কৰে । দুয়োগৰাকী নেতাই জোৰ দি কয় যে সকলো দেশৰ সাৰ্বভৌমত্ব আৰু ভূখণ্ডৰ অখণ্ডতাক সন্মান কৰিব লাগিব ।বিবৃতি অনুসৰি দুয়োগৰাকী প্ৰধানমন্ত্ৰীয়ে আন্তঃৰাষ্ট্ৰীয় আইন অনুসৰি, বিশেষকৈ ১৯৮২ চনৰ ৰাষ্ট্ৰসংঘৰ সাগৰৰ আইন সম্পৰ্কীয় চুক্তি অনুসৰি সাগৰৰ জাহাজ চলাচল আৰু ওপৰেৰে উৰণৰ স্বাধীনতা আৰু অন্যান্য বৈধ ব্যৱহাৰৰ আহ্বান জনায় । যুটীয়া বিবৃতিত আৰু কোৱা হৈছে যে মোদী আৰু লাক্সনে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলক লৈ মত বিনিময় কৰে আৰু এখন মুক্ত, মুকলি আৰু সমৃদ্ধ অঞ্চলৰ প্ৰতি তেওঁলোকৰ উমৈহতীয়া প্ৰতিশ্ৰুতি পুনৰ ব্যক্ত কৰে। তেওঁলোকে সাৰ্বভৌমত্ব, ভৌগোলিক অখণ্ডতা আৰু নিয়মভিত্তিক আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থা ৰক্ষাৰ গুৰুত্বৰ ওপৰত জোৰ দিয়ে। প্ৰতিৰক্ষা বিশেষজ্ঞ সকলৰ একাংশৰ মতে, চীনক লক্ষ্যত ৰাখিয়েই সামুদ্ৰিক সুৰক্ষাৰ বিষয়ত যুটীয়া পদক্ষেপ সন্দৰ্ভত একমত হয় নতুন দিল্লী-অকলেণ্ড। নিউজিলেণ্ডৰ পূৰ্বে মোদীৰ অষ্ট্ৰেলিয়া ভ্ৰমণতো ভাৰত-মহাসাগৰীয় অঞ্চলত সামৰিক কৌশলগত সহযোগিতা বৃদ্ধিৰ লক্ষ্যৰে চুক্তিবদ্ধ হৈছিল দুয়োখন দেশ।

সম্পাদকীয় শিতান... দেৱাশীষ গোস্বামী, নগাঁও

# আবোল তাবোল, মতিভ্ৰম আৰু সাধাৰণ অতিষ্ঠ ৰাইজ

অমুকে কৰিলে লীলা আৰু বোলে তমুকে কৰিলে ধৰি লৈ কিলা।
অমুকেহে কৰিছে, সাত খুন মাফ।
জোৰ যাৰ, মূলুক তাৰ।
Money, Power, Rule, Contacts, Back etc.

ওপৰত উল্লেখিত সমূহ নাম মাত্ৰ উদাহৰণহে। আজি আমাৰ চৌপাশে তেনে পৰিবেশ, কৰ্ম-কাণ্ড তেনেই সুলভ। বিপৰীতে প্ৰতিবাদকাৰীৰ সংখ্যা গণনা আৰু পৰ্বতত কাছ কণী বিচৰা একেই কথা। সমাজৰ কেও কিছুৰ কৰ্ম কাণ্ডই বাৰিষা নদ- নদী সমূহ ফেনে ফোটোকাৰে বাঢ়ি আহি বিপদসীমা অতিক্ৰমি কাষৰীয়া সকলৰ সুখৰ নিদ্ৰা হৰণ কৰাৰ দৰে ভয়ংকৰ তথা অতি অস্বস্তিকৰ পৰিবেশ এটাৰ সৃষ্টি কৰিছে, ফলত চল চাতুৰী, তৈল মৰ্দন তথা অন্ধভক্ত সকলৰ Register Book অত Registration নথকা সকলৰ বাবে যথেষ্ট আহুকালৰ সৃষ্টি কৰিছে। জীৱন নিৰ্বাহ এক প্ৰকাৰ দুৰ্বিসহ কৰি তুলিছে। নিজৰ প্ৰকৃত অস্তিত্ব পাহৰি Money আৰু Power অৰ চক্ৰবেহুত সোমাই পৰা কিছু ৰজাঘৰীয়া তথা বৰমূৰীয়াৰ কৰ্ম কাণ্ডই সচাঁকৈয়ে Common People অৰ চকু কপালত তুলি সুষ্ঠ সমাজ গঢ়ি, নৱপ্ৰজন্মক সুপথে পৰিচালিত কৰি মানবীয় প্ৰমূল্যবোধেৰে দেশৰ প্ৰকৃত নাগৰিক সৃষ্টিত ব্যাঘাত জন্মোৱাৰ লগতে ৰাজ্যবাসীৰ বাবে এক অশণি সংকেত কঢ়িয়াই অনা নাই নে বাৰু? স্পষ্ট বাদী, ভুলক ভুল আৰু শুদ্ধক শুদ্ধ বুলি কোৱা সকলক ক্ষমতাৰ বলেৰে বলীয়ান সকলে নিজৰ নিকৃষ্ট স্বাৰ্থ সিদ্ধিৰ বাবে ভৰিৰে মোহাৰি Nowhere কৰি পেলাবলৈ কুণ্ঠাবোধ নকৰা এক ভীতিগ্ৰস্ত পৰিবেশৰ মাজত আজি আমি Common People। অন্ধ তৈল মৰ্দনকাৰীৰ সংখ্যাই Record গঢ়াৰ সময়তে বিভিন্নজনৰ সাপ হৈ খুটি, বেজ হৈ জৰা বিভিন্ন কাৰ্য কলাপে সাধাৰণ নাগৰিককজ্ব লা কলা খুৱাইছে। এক সুন্দৰ তথা স্বাস্থ্যবান ভৱিষ্যতৰ উৱাদিহ যেন হেৰুৱাই পেলাইছো।ক্ষমতাৰ বলেৰে বলীয়ান বৰমূৰীয়াসকলৰ মুখৰ বচন যেতিয়া আইনলৈ ৰূপান্তৰিত হয়, সাধাৰণ প্ৰজাগণ দিক ভ্ৰষ্ট হৈ পৰে ফলত একোখন সমাজ অস্থিৰ হৈ পৰে। ফলাফল বিদ্ৰোহৰ উকমুকনি।

উক্ত পৰিস্থিতিৰ বাবে জগৰীয়া সেই সকলেই নহয়নে যি কেৱল নিজৰ তথা আপোন জনৰ( ?)যি কোনো কাৰ্য্য সিদ্ধিৰ বাবে হিতে বিপৰীত পদক্ষেপ গ্ৰহণ কৰি শকুনিৰ ভূমিকা পালন কৰে।

আপোন পৰ পাহৰি এক সুস্থ তথা নিকা ভৱিষ্যতৰ যদি সপোনক বাস্তৱ ৰূপ দিব বিচাৰো, দেশৰ তথা সমাজৰ সচেতন নাগৰিক হিচাপে Power আৰু Money ৰ তেনেই ক্ষন্তেকীয়া চকুৰ সমুখৰ পৰ্দাখন আঁতৰাই বলিষ্ঠ পদক্ষেপেৰে হাতে হাত ধৰি, সমস্বৰে আগুৱাই যাব লাগিব সেই সকল সকলোকে উফৰাই যি সকলে কেৱল মাত্ৰ কেৱল উঁই পোকৰ দৰে ভূমিকা গ্ৰহণ কৰি একোখন সমাজ তথা দেশ আনে তৎ ধৰিব নোৱাৰাকৈ তলে তলে ফোপোলা কৰি পেলাইছে, লাগিলে যি পদবী ধাৰীয়েই নহওঁক কিয়, সমাজৰ যি স্থান ধাৰীয়েই নহওঁক কিয়, লাগিলে মোৰ, আপোনাৰ আপোনৰো আপোনজন নহওঁক কিয়?

পাৰিব আপুনি ৰাজহুৱা স্বাৰ্থত তেনে ব্যক্তি বিশেষক আপোনাৰ জীৱনৰ পৰা, আপোনাৰ পৰিয়ালৰ পৰা তথা আপোনাৰ সমাজৰ পৰা উফৰাই পেলাবলৈ? আৰ্বজনা চাফা কৰি মানুহ হৈ জন্মাৰ উৎকৃষ্ট উদাহৰণ আগবঢ়াবলৈ? মতিভ্ৰম ঘটি আবোল তাবোল বকি সমাজ তথা দেশক বিপথে পৰিচালিত কৰিব খোজাসকলক নাকী লগাবলৈ?

সময়ৰ শৰ সময়ত নামাৰিলে সকলো কিন্তু তেনেই বৃথা। পানী মূৰৰ ওপৰেদি ববলৈ দিয়া মানেই মৃত্যু অৱধাৰিত।

# পঞ্চম টি-২০তো ইংলেণ্ডৰ জয়লাভ



ৰঙিলী বাৰ্ত্তাসেৱা- ইংলেণ্ডৰ বিৰুদ্ধে পাঁচখনীয়া টি-২০ শৃংখলাত ভাৰত অতি শোচনীয় পৰাজয়ৰ সন্মুখীন হয়। শৃংখলাটোৰ পঞ্চম তথা অন্তিম


(দহ পৃষ্ঠাত চাওক)

# বহুবিবাহ কৰোৱা কৰ্মচাৰীয়ে হেৰুৱাব চৰকাৰী চাকৰিঃমুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দ্বিতীয়টো কাৰ্যকালৰ প্ৰথমখন পূৰ্ণাংগ বাজেট দাখিল। বিত্তমন্ত্ৰী হিচাপে অসম বিধানসভাত প্ৰথমবাৰৰ বাবে বাজেট দাখিল কৰে জয়ন্ত মল্লবৰুৱাই। বাজেট দাখিলৰ পিছতে বিত্তমন্ত্ৰীক লগত লৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সম্বোধন কৰে এক সংবাদমেল। এই সংবাদমেলত মুখ্যমন্ত্ৰীগৰাকীয়ে বাজেটখনক ৰাজ্যক সৰ্বদিশৰ পৰা আগুৱাই নিয়াৰ লক্ষ্যৰে দাখিল কৰা এখন উল্লেখযোগ্য বাজেট বুলি সদৰী কৰে। তাৰ পিছতে মুখ্যমন্ত্ৰীয়ে বাজেটৰ সকলোতকৈ গুৰুত্বপূৰ্ণ কথাটো “ই ৰাজহ নিৰপেক্ষ বাজেট” বুলি কয়। অৰ্থাৎ ৰাজহ আয় আৰু ৰাজহ ব্যয়ৰ ক্ষেত্ৰত এই বাজেটে সমানে ভূমিকা পালন কৰিব। যদিহে ৰাজ্যখনে ৰাজহৰ নামত ১০০ টকা আয় কৰে, তেন্তে ব্যয়ৰ পৰিমাণো ১০০ টকাই হ’ব। এই সংবাদমেলত মুখ্যমন্ত্ৰীয়ে কয়, বহু বিবাহত জড়িত কোনো ব্যক্তিয়েই কোনোধৰণৰ চৰকাৰী আঁচনি লাভ নকৰে, সেয়া প্ৰধানমন্ত্ৰীৰ আৱাস যোজনাই হওক, বিনামূলীয়া চাউলেই হওক, অৰুণোদয়ৰ দৰে আঁচনিয়েই হওক। মুখ্যতঃ মহিলা সবলীকৰণ-লিংগ সমতা সুদৃঢ় কৰাৰ অৰ্থে গ্ৰহণ কৰা এই পদক্ষেপৰ দ্বাৰা কোনো ব্যক্তিয়ে যদি বহু বিবাহ কৰে, তেওঁ যদি চৰকাৰী কৰ্মচাৰী হয় ততালিকে তেওঁক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হ’ব। আনহাতে, মুখ্যমন্ত্ৰীগৰাকীয়ে চাহ শ্ৰমিকক মাটি প্ৰদানৰ প্ৰসংগত বাজেটত উল্লেখ কৰা ঘোষণাৰ কথা প্ৰকাশ কৰি কয়- এইবাৰ ১ লাখ ৪৪ হাজাৰ চাহ শ্ৰমিকক মাটিৰ পট্টা প্ৰদান কৰা হ’ব। চৰকাৰৰ লক্ষ্য হৈছে ৩.৫ লাখ শ্ৰমিকক ভূমিস্বত্ব প্ৰদান কৰা। কেন্দ্ৰীয় চৰকাৰে ভূমিস্বত্ব লাভ কৰা এই শ্ৰমিকসকলক একোটাকৈ ঘৰ দিয়াৰো সিদ্ধান্ত গ্ৰহণ কৰিছে। বাজেটত জনকল্যাণৰ বাবে চৰকাৰে ৬ হাজাৰ কোটি টকা ব্যয় কৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়- এইবাৰ বাজেটত চৰকাৰৰ ৰাজহ ব্যয় আৰু ৰাজহ উপাৰ্জন সমান কৰা হৈছে। কাৰ্যতঃ বাজেট ৰেভিনিউ নিউট্ৰেল হৈছে। এই বাজেটত কৰমুক্ত কৰা হৈছে আৰু কৃষকসকলক ১০ লাখ টকাপৰ্যন্ত কৰ ৰেহাই প্ৰদান কৰা হৈছে। এই বাজেটৰ জৰিয়তে চৰকাৰে কিছু কিছু ক্ষেত্ৰত কৰ হ্ৰাস কৰিছে। উল্লেখযোগ্য যে প্ৰথমবাৰৰ বাবে ৰাজ্যত সেউজ কৰ আৰোপ কৰা হৈছে। প্ৰদূষিত উদ্যোগসমূহৰ ওপৰত এই সেউজ কৰ লগোৱা হৈছে। অসমৰ যাতায়াতৰ ক্ষেত্ৰত এই বাজেটখনে যথেষ্ট গুৰুত্ব প্ৰদান কৰা বুলি বাজেট দাখিলৰ পাছতে আয়োজন কৰা এখন সংবাদ মেলত মুখ্যমন্ত্ৰীয়ে কয়- যাতায়াতৰ ক্ষেত্ৰত চৰকাৰে পথ, ৰে’ল আৰু আকাশী যাত্ৰা এই সকলোকে সামৰি লৈছে। অসম মালা ৪.০১ জৰিয়তে ১০ হাজাৰ কোটি টকা এইবাৰ ব্যয় কৰা হ’ব। এইবাৰ ৮০০ কিলোমিটাৰ নতুন পথ নিৰ্মাণৰ প্ৰস্তাৱ বাজেটত দিয়া হৈছে। তদুপৰি ভাৰত চৰকাৰৰ বিবেচিত হৈ থকা কেইবাটাও আঁচনিৰ কথা এইবাৰ বাজেটত উল্লেখ কৰা হৈছে। বাইহাটা চাৰিআলিৰ পৰা তেজপুৰ মিছন চাৰিআলিলৈকে ১৩,৮১২ কোটি টকা ব্যয়সাপেক্ষে চাৰিলেনযুক্ত পথ নিৰ্মাণ, গুৱাহাটী বিমানবন্দৰৰ পৰা জালুকবাৰীলৈ এলিভেটেড কৰিড’ৰ, দৰং-মৰিগাঁও সংযোগ কৰি ব্ৰহ্মপুত্ৰৰ ওপৰত নতুন দলং নিৰ্মাণৰ প্ৰস্তাৱ ৰখা হৈছে। একেদৰে শিলচৰ-শিলিগুৰি প্ৰকল্পৰ ক্ষেত্ৰতো চৰকাৰে দ্ৰুতগতিত আগবাঢ়িব বিচাৰিছে। এই বাজেটত দুটা বিমানবন্দৰ আধুনিকীকৰণ কৰিব বিচৰা হৈছে। ইয়াৰে এটা হ’ল কাছাৰ জিলাৰ ডলো বিমানবন্দৰ আৰু কোকৰাঝাৰ জিলাৰ ৰূপসী বিমানবন্দৰ। আনহাতে, এইবাৰ বাজেটত জাইকাৰ লগত লগ লাগি ছেমিকণ্ডাক্টৰ ইক’ ছিষ্টেম ব্যৱস্থা গ্ৰহণৰ প্ৰস্তাৱ লোৱা হৈছে। মুখ্যমন্ত্ৰীয়ে কয়-ছেমিকণ্ডাক্টৰ মিছন-২ৰ অধীনত চৰকাৰে কেইবাটাও প্ৰতিষ্ঠানৰ সৈতে ছেমিকণ্ডাক্টৰ প্ৰকল্প অসমত অনাৰ চেষ্টা চলাইছে। ইয়াৰ বাবে প্ৰয়োজন হ’ব মানৱ সম্পদ নিৰ্মাণ। অসমত ছেমিকণ্ডাক্টৰৰ বাবে প্ৰয়োজনীয় মানৱ সম্পদ সৃষ্টিৰ বাবে আলোচনা কৰা হৈছে। আনহাতে, ছেমিকণ্ডাক্টৰ প্ৰকল্পত প্ৰয়োজন হোৱা সৰু সৰু সামগ্ৰী, যিসমূহ সামগ্ৰী এমএ ছেমিসকলে নিৰ্মাণ কৰিব পাৰে। ৰাজ্যত কুটীৰ শিল্পৰ লগত জড়িত যিসকল উদ্যোগী, তেওঁলোকে ছেমিকণ্ডাক্টৰত প্ৰয়োজন হোৱা ক্ষুদ্ৰ সামগ্ৰীসমূহ যোগান ধৰিব। তদুপৰি ছেমিকণ্ডাক্টৰত প্ৰয়োজন হোৱা আন বিভিন্ন সামগ্ৰী যাতে বাহিৰৰ পৰা নাহে, অসমৰ কুটীৰ শিল্পৰ উদ্যোগীসকলে যাতে ল’ব পাৰে তাৰ বাবে প্ৰশিক্ষণ দিয়া হ’ব। বাজেটৰ কৃষি আৰু জলসিঞ্চনৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়- প্ৰথমবাৰৰ বাবে বাজেটত কৃষি আৰু জলসিঞ্চনক একত্ৰিতভাৱে আগুৱাই নিয়াৰ কথা উল্লেখ কৰা হৈছে। ইয়াৰ বাবে উচ্চচাপযুক্ত পাইপলাইন বিতৰণ নেটৱৰ্ক ব্যৱস্থা গ্ৰহণ (দহ পৃষ্ঠাত চাওক)

## বাজেটত ৰাজ্যিক কৰ্মচাৰীলৈ কেইবাটাও সুখবৰ



ৰঙিলী বাৰ্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দ্বিতীয়টো কাৰ্যকালৰ প্ৰথমখন পূৰ্ণাংগ বাজেট বিত্তমন্ত্ৰী হিচাপে অসম বিধানসভাত প্ৰথমবাৰৰ বাবে জয়ন্ত মল্লবৰুৱাই দাখিল কৰে। শুকুৰবাৰে দাখিল কৰা বাজেটত ৰাজ্যিক কৰ্মচাৰীৰ বাবে কেইবাটাও সুখবৰ কঢ়িয়াই আনিলে বিত্তমন্ত্ৰীগৰাকীয়ে। বাজেট ঘোষণা অনুসৰি বিত্তীয় শৃংখলা বজাই ৰাখি ন্যায্য বেতন নিশ্চিত কৰাৰ বাবে গঠন কৰা হৈছে অষ্টম ৰাজ্যিক দৰমহা আয়োগ। কৰ্মচাৰীৰ কল্যাণৰ বাবে কেইবাটাও ঘোষণা কৰা বাজেট সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জানিবলৈ দিয়ে যে এইবাৰ বাজেটত এক নতুন পদক্ষেপ হাতত লোৱা হৈছে। সেই অনুসৰি সন্তান দিয়াৰ পিছত মাতৃত্বকালীন ছুটী লাভ কৰে যদিও সন্তানৰ যত্নৰ বাবে পিতৃত্বকালীন ছুটী প্ৰদানৰো প্ৰস্তাৱ আগবঢ়োৱা হৈছে। বাজেটত এইবাৰ সন্তান জন্মৰ পিছত পিতৃজনে দুসপ্তাহৰ বাবে পিতৃত্বকালীন ছুটী লাভ কৰিব। আনহাতে বাজেটত ২০১৭ চনৰ (দহ পৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ত তাৰাণা সঙ্গীত আৰু নৃত্য বিদ্যালয়ৰ সৌজন্যত সত্ৰীয়া নৃত্য আৰু আধুনিক নৃত্যৰ কৰ্মশালা সম্পন্ন




ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড়ৰ মোহনবাৰীত “তাৰাণা” সংগীত আৰু নৃত্য বিদ্যালয়ৰ সৌজন্যত পাঁচ দিনীয়া সত্ৰীয়া নৃত্য আৰু আধুনিক নৃত্যৰ কৰ্মশালা ডিব্ৰুগড় জিলাৰ চাবুৱা -লাহোৱাল সমষ্টিৰ অন্তৰ্গত মোহনবাৰীৰ নিজ মৈদুমীয়া গাঁৱৰ “তাৰাণা” সংগীত নৃত্য বিদ্যালয়ত গ্ৰীষ্মকালীন প্ৰশিক্ষণ শিবিৰ ২ জুলাইৰ পৰা ৭ জুলাইলৈকে অনুষ্ঠিত হয়। সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষণ দিয়ে ডিব্ৰুগড়ৰ আনমনা শৰ্মাই। আধুনিক নৃত্যৰ প্ৰশিক্ষণ দিয়ে লাহোৱালৰ ৰিয়া দত্ত আৰু সংগীতৰ প্ৰশিক্ষণ দিয়ে লক্ষীমপুৰৰ ৰাতুল বৰা। শেষৰ দিনা বৰ্ণাঢ্য কাৰ্যসূচীৰে গ্ৰীষ্মকালীন প্ৰশিক্ষণৰ শিবিৰৰ সফল সামৰণি পৰে। প্ৰথম কাৰ্যসূচী অনুষ্ঠানৰ শুভাৰম্ভ কৰে বন্তি প্ৰজ্ব লনে অনুষ্ঠানৰ স্বত্বাধিকাৰী লাকি শৰ্মা দলেই। স্নেহা কোঁৱৰে বৰগীত পৰিৱেশন কৰি অনুষ্ঠানৰ শুভাৰাম্ভ কৰে। সংগীত বিদ্যালয়ৰ “কোৰাচ” তাৰাণা পৰিৱেশন কৰে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে। (দহ পৃষ্ঠাত চাওক)

## অসমত চৰকাৰী ভূমি

পৰিয়ালেহে এই সংশোধনী অনুসৰি চৰকাৰী ভূমিৰ আবণ্টন লাভ কৰিব পাৰিব। আনহাতে কেবিনেটে অসম ভেঞ্চাৰ শিক্ষানুষ্ঠান (সেৱা প্ৰাদেশিকীকৰণ) আইন-২০১১ আৰু ২০১৩ চনৰ সংশোধিত ব্যৱস্থাৰ অধীনত সৃষ্টি কৰা পদসমূহ স্থায়ীভাৱে বাহাল ৰখাৰ প্ৰস্তাৱত অনুমোদন জনায়। কেবিনেটে অসম ৰাজ্যিক উচ্চ শিক্ষা পৰিষদ (এএছএইচইচি)ৰ পুনৰ গঠনত অনুমোদন দিছে। একেদৰে কেবিনেটে মিছন চাৰিআলিত চাৰিলেনযুক্ত উৰণ সেতু নিৰ্মাণৰ বাবে ৪৭৪.২৫ কোটি টকাৰ প্ৰশাসনিক অনুমোদনৰ পুনৰ বৈধতা প্ৰদানত অনুমোদন জনায়।

## প্ৰতি প্লেট কণীত ৩০

ব্ৰেণ্ডত কণী প্লেটে প্ৰতি ২৭০ টকাকৈ বজাৰত উপলব্ধ হৈছিল। কিন্তু সেই একেই সাধাৰণ কণী প্লেটত ২৪০ টকা আৰু ব্ৰেণ্ডেড বাহুবলী কণী ৩০০ টকাকৈ বিক্ৰী কৰিবলগীয়া হৈছে। সকলোৰে বাবে সুলভ হৈ থকা কণীৰ প্লেটত নিশাটোৰ ভিতৰতে কি কাৰণত ৩০ টকাকৈ বৃদ্ধি কৰিবলগীয়া হ’ল বুলি সোধা প্ৰশ্নৰ উত্তৰত একাংশ ব্যৱসায়ীয়ে ইয়াৰ বাবে পেট্ৰ’ল-ডিজেলৰ বৰ্ধিত দামক দোষাৰোপ কৰে। ব্যৱসায়ীসকলৰ মতে, পেট্ৰ’ল-ডিজেলৰ দামে শতকৰ ঘৰ অতিক্ৰম কৰাৰ পিছৰে পৰাই পৰিবহণ ব্যয় পূৰ্বৰ তুলনাত বাঢ়িছে। যাৰবাবে পাইকাৰী বজাৰতো কণীৰ দাম বাঢ়িছে। যিহেতুকে অসমত নিতৌ প্ৰয়োজনীয় কণীৰ অধিকাংশই বহিঃৰাজ্যৰ পৰা আনিবলগীয়া হয়, গতিকে এই দাম বাঢ়িছে। ব্যৱসায়িক মহলৰ মতে, উৎসতে দাম বঢ়াৰ বাবে ইয়াতেও দাম বঢ়াবলগীয়া হৈছে।

# ৰাজ্যৰ ৭,৯৪৮খন বিদ্যালয়ত শিক্ষাৰ্থী অনুপাতে শিক্ষক নাই



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ শিক্ষানুষ্ঠানসমূহত ক্ৰমাগতভাৱে হ্ৰাস পাইছে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা। চলিত অসম বিধানসভাৰ বাজেট অধিৱেশনত বৃহস্পতিবাৰে এই তথ্য সদনত দাঙি ধৰিলে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। বিৰোধী বিধায়কৰ এক প্ৰশ্নৰ উত্তৰত শিক্ষামন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি ৩০ গৰাকীতকৈ কম ছাত্ৰ-ছাত্ৰী থকা ৰাজ্যৰ মুঠ শিক্ষানুষ্ঠান হৈছে ৭, ৯৪৮খন। অৰ্থাৎ ৩০ গৰাকীতকৈ কম ছাত্ৰ-ছাত্ৰী থকা নিম্ন প্ৰাথমিক বিদ্যালয় আছে ৫, ৩০৩খন। আনহাতে উচ্চপ্ৰাথমিক বিদ্যালয় আছে ১, ২৫৩খন, মাধ্যমিক বিদ্যালয় আছে ৮২১খন, হাইস্কুল আছে ৩, ২১৫খন আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে ৫৭১খন। লক্ষণীয়ভাৱে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা এনেদৰে হ্ৰাস পোৱাৰ অজুহাততে শিক্ষা বিভাগে আৰম্ভ কৰিছে বিদ্যালয় একত্ৰীকৰণ প্ৰক্ৰিয়া। ইয়াৰ বিপৰীতে কিন্তু ৰাজ্যৰ বিভিন্ন বিদ্যালয়ত খালী হৈ আছে ৩০, ০৩২টা শিক্ষকৰ পদ। বিধানসভাত শিক্ষামন্ত্ৰীয়ে বিদ্যালয় একত্ৰীকৰণ সন্দৰ্ভত উল্লেখ কৰে যে শিক্ষা সেতু আৰু ইউ-ডাইছৰ পৰা পোৱা তথ্য অনুসৰিয়ে কোনবোৰ বিদ্যালয় একলগ কৰিব পাৰি আৰু কোনবোৰ বিদ্যালয় একলগ কৰিব নোৱাৰি, সেই বিষয়টো পৰীক্ষা কৰি থকা হৈছে। উপযুক্ত সময়ত সকলোৰে মতামতসাপেক্ষে এইক্ষেত্ৰত গ্ৰহণ কৰা হ'ব সিদ্ধান্ত। ইফালে হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পোষ্ট গ্ৰেজুৱেট শিক্ষক নোহোৱাৰ বিষয়টো সন্দৰ্ভত

# বিধায়ক অখিলৰ বিৰুদ্ধে ৰুজু হৈ থকা গোচৰৰ প্ৰতিবাদন বিচাৰিলে বিধানসভা সচিবালয়ে


ৰঙিলী বাৰ্ত্তাসেৱা- বিপদত পৰিব পাৰে শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈ। কিয়নো তেওঁৰ বিৰুদ্ধে ৰাজ্যৰ বিভিন্ন থানাত ৰুজু হৈ থকা গোচৰসমূহক লৈ তৎপৰ হৈ পৰিছে অসম বিধানসভা সচিবালয়। বিধায়ক অখিল গগৈৰ বিৰুদ্ধে ৰাজ্যৰ থানাসমূহত কিমান গোচৰ ৰুজু হৈ আছে তাৰ তথ্য দিবলৈ গৃহ বিভাগৰ অতিৰিক্ত সচিবলৈ বিধানসভাৰ সচিব ৰাজীৱ ভট্টাচাৰ্যই জৰুৰী পত্ৰ প্ৰেৰণ কৰিছে। পত্ৰ প্ৰেৰণ কৰিছে। আনকি পত্ৰখনত অহা ১৩ জুলাইৰ ভিতৰত গগৈৰ বিৰুদ্ধে থকা সকলো গেচৰৰ তথ্য দাখিল কৰিবলৈকো তেওঁ অনুৰোধ জনাইছে। উল্লেখ্য যে অসম বিধানসভাৰ বাজেট অধিৱেশনৰ প্ৰথম দিনাই অখিল গগৈৰ বিৰুদ্ধে থকা গোচৰক লৈ সৃষ্টি হৈছিল তীব্ৰ বিতৰ্কৰ। সংসদীয় পৰিক্ৰমা মন্ত্ৰী পীযূষ হাজৰিকাই সদনত অভিযোগ তুলিছিল যে অখিল গগৈয়ে তেওঁৰ বিৰুদ্ধে থকা গোচৰৰ তথ্য সঠিকভাৱে নিৰ্বাচন আয়োগক শপতনামাযোগে দাখিল কৰা নাই। এইক্ষেত্ৰত অখিল গগৈৰ বিধায়ক পদ খাৰিজৰো দাবী উত্থাপন হৈছিল। বিষয়টো সন্দৰ্ভত সৃষ্টি হোৱা বিতৰ্কৰ বাবে তদন্তৰ আশ্বাস দিছিল অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসে। এই তদন্তৰ খাতিৰতে এতিয়া গৃহ বিভাগৰ অতিৰিক্ত সচিবক ১৩ জুলাইৰ ভিতৰত অখিল গগৈৰ বিৰুদ্ধে ৰাজ্যৰ থানাসমূহত কিমান গোচৰ ৰুজু হৈ আছে তাক দাখিল কৰিবলৈ বিধানসভাৰ সচিবে পত্ৰ প্ৰেৰণ কৰিছে। উল্লেখ্য যে অখিল গগৈৰ বিৰুদ্ধে ৩২টা গোচৰ থকাৰ বিপৰীতে শপতনামাত ২১টা গোচৰ থকা বুলিহে উল্লেখ কৰিছিল।

# পাৰমাণৱিক চুক্তিত স্বাক্ষৰ ভাৰত-অষ্ট্ৰেলিয়াৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অষ্ট্ৰেলিয়া ভ্ৰমণৰ সময়ত সৰ্বাত্মক ৰণকৌশলগত অংশীদাৰিত্বৰ উল্লেখনীয় সম্প্ৰসাৰণেৰে ভাৰত আৰু অষ্ট্ৰেলিয়াই বৃহস্পতিবাৰে ৰণকৌশলগত ১৮টা অভিলাষী পেকেজ উন্মোচন কৰে। উন্মোচিত এই পেকেজত আছে প্ৰতিৰক্ষা, সামুদ্ৰিক সুৰক্ষা, অসামৰিক পাৰমাণৱিক সহযোগিতা, শক্তি নিৰাপত্তা, গুৰুত্বপূৰ্ণ প্ৰযুক্তি, শিক্ষা, দক্ষতা উন্নয়ন, বৈজ্ঞানিক গৱেষণা আৰু সাংস্কৃতিক ঐতিহ্য। বৃহস্পতিবাৰে ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ ইন্ধন নিৰাপত্তা, পাৰমাণৱিক শক্তি, কৌশলগত সহযোগিতাসহ কেইবাখনো গুৰুত্বপূৰ্ণ চুক্তি স্বাক্ষৰিত হয়। মেলবৰ্নত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এন্টনী আলবানিজৰ মাজত দ্বিপাক্ষিক বৈঠক অনুষ্ঠিত হয় আৰু সেই বৈঠকতে ইউৰেনিয়াম ৰপ্তানিসহ গুৰুত্বপূৰ্ণ এই চুক্তিসমূহত স্বাক্ষৰ হয়। অষ্ট্ৰেলিয়া চৰকাৰৰ তৰফৰ পৰা জনোৱা হৈছে যে ভাৰতত পাৰমাণৱিক বিদ্যুৎ উৎপাদন কাৰ্যসূচীত সহায় কৰাৰ লক্ষ্যৰেই এই পদক্ষেপ। আনহাতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই সন্দৰ্ভত কয়, 'আজি আমি পাৰমাণবিক শক্তিক্ষেত্ৰত এখন গুৰুত্বপূৰ্ণ চুক্তিত স্বাক্ষৰ কৰিছোঁ। ই অষ্ট্ৰেলিয়াৰ পৰা ভাৰতলৈ ইউৰেনিয়াম সৰবৰাহৰ পথ মুকলি কৰি দিব আৰু আমাৰ পৰিচ্ছন্ন ইন্ধন কাৰ্যসূচীত নতুন গতি আনি দিব।' প্ৰতিৰক্ষা বিশেষজ্ঞ সকলৰ একাংশই ধাৰণা কৰিছে যে প্ৰধানমন্ত্ৰীৰ অষ্ট্ৰেলিয়া ভ্ৰমণৰ অন্যতম লক্ষ্য হ'ল ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত বেইজিঙৰ আধিপত্যত লেকাম লগোৱা। বেইজিঙক লক্ষ্য কৰি ২০০৭ চনত আমেৰিকাৰ নেতৃত্বত 'কোৱাড' (কোৱাড্ৰিলেটাৰেল ছিকিউৰিটি ডায়লগ) গঠিত হৈছিল। এই সামৰিক জোঁটৰ সদস্য ভাৰত, (নপৃষ্ঠাত চাওক)

# টেলিকম টাৱাৰৰ সঁজুলি চুৰি কাণ্ড



ৰঙিলী বাৰ্ত্তাসেৱা- কামৰূপ জিলাৰ পলাশবাৰী আৰক্ষী থানাৰ অন্তৰ্গত বৰদুৱাৰ ৰঙামাটি অঞ্চলত সংঘটিত হোৱা এটা টেলিকম টাৱাৰৰ সঁজুলি চুৰি কাণ্ডৰ মূল অভিযুক্তক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। ঘটনাৰ সন্দৰ্ভত পিণ্টু কলিতা নামৰ এজন ব্যক্তিয়ে দাখিল কৰা লিখিত এজাহাৰৰ ভিত্তিত পলাশবাৰী আৰক্ষী থানাত ১৬২।২৬ নম্বৰত এক গোচৰ ৰুজু কৰা হৈছিল। এজাহাৰ লাভ কৰাৰ পিছতেই আৰক্ষীৰ এটা দলে ক্ষিপ্ৰতাৰে অভিযান চলায়। নিশা প্ৰায় ৩:৩০ বজাত মনিআৰি তিনিআলিৰ ওচৰত আৰক্ষীয়ে এজন সন্দেহযুক্ত যুৱকক কৰায়ত্ত কৰে। ধৃত যুৱকজন কামৰূপ মহানগৰ জিলাৰ সাতগাঁও থানাৰ অন্তৰ্গত পঞ্জাবাৰীৰ বতাহঘুলিৰ বাসিন্দা প্ৰয়াত অনিশ ৰহমানৰ পুত্ৰ ৰিয়াজ ৰহমান(২৮) বুলি চিনাক্ত কৰা হৈছে। বাহনসহ চুৰি সামগ্ৰী জব্দআৰক্ষীয়ে অভিযুক্ত ৰিয়াজ ৰহমানৰ জিম্মাত থকা AS-12L-2752 পঞ্জীয়ন নম্বৰৰ এখন বাহন তালাচী চলাই এয়াৰটেল টাৱাৰৰ পৰা চুৰি হোৱা মূল্যবান 'ৰিম'ট ৰেডিঅ' ইউনিট' (RRU, নম্বৰ, CN39526497)টো উদ্ধাৰ কৰাৰ লগতে বাহনখনো জব্দ কৰে। ধৃত যুৱকজনে এই সামগ্ৰীসমূহৰ কোনো বৈধ নথি-পত্ৰ আৰক্ষীৰ সন্মুখত দাঙি ধৰিব নোৱাৰিলে।আন্ধাৰৰ সুযোগ লৈ তিনি সহযোগীৰ পলায়ন (নপৃষ্ঠাত চাওক)

# ভাৰতৰ ওপৰত ৫০০

দেশে ৰাছিয়াৰ পৰা এতিয়াও শক্তি সম্পদ আমদানি কৰি আছে তেওঁলোকৰ ওপৰত বিপুল অংকৰ শুল্ক আৰোপ কৰা। কমেও ৫০০ শতাংশ শুল্ক আৰোপৰ প্ৰস্তাৱ ৰখা হৈছে বিধেয়কখনৰ প্ৰাথমিক খচৰাত। ভাৰতে দীৰ্ঘদিন ধৰি ৰাছিয়াৰ তেল ক্ৰয় কৰি আহিছে। ৰাছিয়াৰ তেলৰ বৃহৎ ক্ৰেতা ভাৰত। ফলত নতুন আইন গৃহীত হ'লে ভাৰতৰ বাবে মূৰৰ কামোৰণি বৃদ্ধি হোৱাৰ যথেষ্ট কাৰণ আছে। ৰিপাব্লিক আৰু ডেম'ক্ৰেটছ দুয়োটা দলৰে পৰাই দুজনকৈ ছিনেটৰে এই বিধেয়কৰ প্ৰস্তাৱ কৰিছিল। ট্ৰাম্পৰ প্ৰশাসনৰ সন্মতিতে এইবাৰ বিধেয়কখন উত্থাপন কৰা হ'ব। ছেঞ্চনিং ৰাছিয়া এক্ট-২০২৫ত কোৱা হৈছে যে ৰাছিয়াৰ পৰা যিবোৰ দেশে তেল, গেছ, ইউৰেনিয়াম, পেট্ৰ'পণ্য কিনে তেওঁলোকৰ ওপৰত শুল্ক আৰোপ কৰা হ'ব। এই শুল্কৰ পৰিমাণ ৫০০ শতাংশ পৰ্যন্ত হ'ব পাৰে। কিন্তু মাৰ্কিন ৰাষ্ট্ৰীয় সুৰক্ষাৰ স্বাৰ্থত ৰুছ পণ্য কিনাৰ নিষেধাজ্ঞাত সৰ্বাধিক ১৮০ দিনৰ ৰেহাই দিব পাৰে আমেৰিকাৰ ৰাষ্ট্ৰপতিয়ে। এই কথা কোৱা হৈছে বিধেয়কখনত। ৰিপাব্লিকান চিনেটৰ লিণ্ডছি গ্ৰাহাম আৰু ৰজাৰ ৱিকাৰৰ লগতে ডেম'ক্ৰেটিক চিনেটৰ ৰিচাৰ্ড ব্লুমেন্থাল আৰু জিন শ্বাহিনে এক যুটীয়া বিবৃতিত প্ৰকাশ কৰিছে যে এই বিধেয়কখন অতি শীঘ্ৰেই সংসদত উত্থাপন কৰা হ'ব। ইয়াক তেওঁলোকে এক ডাঙৰ সফলতা বুলি অভিহিত কৰিছে। উল্লেখযোগ্য যে, ২০২২ চনৰ পৰা ৰাছিয়া-ইউক্ৰেইন যুদ্ধৰ আৰম্ভণিৰ পিছত পশ্চিমৰ একাধিক দেশে ৰাছিয়াৰ তেল আমদানি কৰাটো বন্ধ কৰি দিয়ে। পিছে জাৰ্মানীৰ দৰে বহু দেশে ৰাছিয়াৰ গেছ এতিয়াও আমদানি কৰাটো অব্যাহত ৰাখিছে। সেই সময়তে কম দামত ৰাছিয়াৰ তেল কিনিবলৈ আৰম্ভ কৰে ভাৰতে। হোৱাহোৱে ৰাছিয়াৰ তেল আমদানিৰ পৰিমাণ বঢ়াই থাকে। প্ৰথমৰ পৰাই এই বিষয়টো ভাল ভাৱেৰে লোৱা নাই আমেৰিকাই। কিন্তু নতুন দিল্লীৰ স্পষ্ট স্থিতি আছিল যে ৰাষ্ট্ৰীয় স্বাৰ্থৰ কথা ভাবি য'ৰ পৰা তেল আমদানি কৰাটো লাভজনক তাৰ পৰাই তেল কিনা হ'ব। যোৱা বছৰ আগষ্ট মাহত ভাৰতীয় পণ্যৰ ওপৰত ২৫ শতাংশ শুল্ক আৰোপ কৰে ট্ৰাম্পে ৰাছিয়াৰ পৰা তেল কিনাৰ 'অপৰাধত'। তাৰ পিছত স্পষ্টকৈ জনায় যে তেল বিক্ৰীৰ ধনেৰে ইউক্ৰেইনত হত্যালীলা চলাইছে ৰাছিয়াই। সেই কাৰণে ৰাছিয়াৰ তেল আমদানিকাৰী দেশসমূহক 'শাস্তি' দিয়া হ'ব। ভাৰতক''নিৰ্দেশ' দি ট্ৰাম্পে ৰাছিয়াৰ তেল কিনা বন্ধ কৰিব লাগিব বুলি কয়। কিন্তু ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হয় ইৰানৰ সৈতে আমেৰিকাৰ যুদ্ধ। তেলৰ বজাৰ একেবাৰেই বিপৰ্যস্ত হৈ পৰে। সেই সময়তে ভাৰতক ৰাছিয়াৰ তেল কিনাৰ 'অনুমতি'ও দিয়ে আমেৰিকাই। সেই 'অনুমতি'ৰ ম্যাদ আপাততঃ উকলিছে।

# প্ৰাক্তন তৃণমূল সাংসদ সুস্মিতা দেৱৰ বিজেপিত যোগদান



ৰঙিলী বাৰ্ত্তাসেৱা- তৃণমূল কংগ্ৰেছৰ প্ৰাক্তন সাংসদ সুস্মিতা দেৱৰ বিজেপিত যোগদান ।বৃহস্পতিবাৰে কলকাতাত আনুষ্ঠানিকভাৱে গেৰুৱা দলটোত যোগদান কৰে টিএমচিৰ ৰাজ্যসভাৰ প্ৰাক্তন সাংসদগৰাকীয়ে ।সাংসদগৰাকীৰ ( নপৃষ্ঠাত চাওক)

# মাছহাদৰ ইমাম ৰেজাৰ মছজিদত কবৰস্থ হ'ল আয়াতুল্লা খামেনেই



ৰঙিলী বাৰ্ত্তাসেৱা- আমেৰিকা-ইজৰাইলৰ আক্ৰমণত নিহত হোৱাৰ প্ৰায় চাৰি মাহৰ পাছত বৃহস্পতিবাৰে ইৰাণে সম্পন্ন কৰে প্ৰাক্তন সৰ্বোচ্চ নেতা আলী খোমেনেইৰ শেষকৃত্য । যোৱা ২৮ ফেব্ৰুৱাৰীত ইৰানৰ ওপৰত আমেৰিকা আৰু ইজৰাইলৰ যুটীয়া বাহিনীয়ে চলোৱা আক্ৰমণত ধৰ্মীয় নেতাগৰাকী আৰু তেওঁৰ কেইবাগৰাকীও নিকটাত্মীয়ই প্ৰাণ হেৰুৱায়।সুদীৰ্ঘ দিনৰ পিছত প্ৰয়াত নেতাগৰাকীৰ শেষকৃত্য সম্পন্ন কৰাৰ বাবে এক ( নপৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ৰ মোহনাঘাট সমীপৰ- টিংখং ভঙাআলিত তীব্ৰ গৰাখহনীয়া



ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগড়ৰ বিভিন্ন প্ৰান্তত নদীৰ গৰাখহনীয়াই তীব্ৰ ৰূপ ধাৰণ কৰিছে। সম্প্ৰতি ডিব্ৰুগড়ৰ টিংখাং ভঙা আলিত ব্ৰহ্মপুত্ৰৰ প্ৰবল সোঁতে সৃষ্টি কৰিছে ভয়াৱহ খহনীয়া।বৰ্তমানে সমগ্ৰ অঞ্চলটোতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। নদীৰ এই সংহাৰী ৰূপ দেখি স্থানীয় ৰাইজৰ মাজত হাহাকাৰ আৰু আতংকৰ সৃষ্টি হৈছে। যদিহে এই খহনীয়া অতি সোনকালে ৰোধ কৰিব পৰা নাযায়, তেনেহ'লে চকুৰ পলকতে অঞ্চলটোৰ বিঘাই বিঘাই ভূমি নদীৰ বুকুত জাহ যোৱাৰ লগতে কাষৰীয়া জনবসতিপূৰ্ণ এলেকা আৰু গুৰুত্বপূৰ্ণ আন্তঃগাঁথনিও চিৰদিনৰ বাবে নিশ্চিহ্ন হৈ পৰিব বুলি স্থানীয় ৰাইজে ( নপৃষ্ঠাত চাওক)

# অসম চুক্তিৰ ৪১ বছৰ পাৰ হ'ল যদিও এতিয়াও উন্মুক্ত অসম-বাংলাদেশ সীমান্ত



ৰঙিলী বাৰ্ত্তাসেৱা- বিধানসভাৰ বাজেট অধিৱেশনৰ বুধবাৰে তৃতীয় দিনা সদনৰ প্ৰশ্নোত্তৰ কালত অসম চুক্তি ৰূপায়ণ সন্দৰ্ভত গুৰুত্বপূৰ্ণ আলোচনা হয়। অসম চুক্তিৰ ৬ নম্বৰ দফাক লৈ আলোচনা হয় সদনত।শ্বহীদৰ ত্যাগৰ বিনিময়ত সম্পাদিত হোৱা অসম চুক্তিৰ প্ৰায় ৪১ বছৰ অতিক্ৰম হ'ল যদিও এতিয়াও উন্মুক্ত অসমৰ ভাৰত-বাংলাদেশ সীমান্ত। চুবুৰীয়া বাংলাদেশৰ পৰা অনুপ্ৰৱেশ ঘটা বিদেশীক প্ৰতিৰোধৰ লক্ষ্যৰে অসম চুক্তি অনুসৰি সীমান্ত সম্পূৰ্ণৰূপে ছীল কৰাৰ সিদ্ধান্ত দুকুৰি বছৰ পাছতো একপ্ৰকাৰ নিৰৰ্থক। অসম বিধানসভাত এই ছবি পুনৰ স্পষ্ট হৈ পৰিল। সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী অতুল বৰাই বিধানসভাত দাখিল কৰা তথ্য অনুসৰি মুঠ ৩৮.৯৫৯ কিলোমিটাৰ সীমান্ত অঞ্চল এতিয়াও উন্মুক্ত।অসম চুক্তি ৰূপায়ণৰ প্ৰসংগত অগপৰ বিধায়ক প্ৰকাশ দাসে উত্থাপন কৰা এক প্ৰশ্নৰ উত্তৰ প্ৰদান কৰি মন্ত্ৰী অতুল বৰাই সদনক অৱগত কৰে যে অসমৰ ভাৰত-বাংলাদেশ সীমান্তৰ আয়তন ২৬৭.৫০ কিলোমিটাৰ। এই দীঘলীয়া সীমান্তই চুই আছে ৰাজ্যখনৰ কাছাৰ, শ্ৰীভূমি, ধুবুৰী আৰু দক্ষিণ শালমাৰা-মানকাচৰ জিলাক। লক্ষণীয়ভাৱে এই চাৰিখন জিলাৰ সীমান্তক সামৰি মুঠ ৩৮.৯৫৯ কিলোমিটাৰ অঞ্চল এতিয়াও উন্মুক্ত। মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা তথ্য অনুসৰি ধুবুৰী জিলাত সৰ্বাধিক ৩৪.৬০৯ কিলোমিটাৰ সীমান্ত এতিয়াও উন্মুক্ত।জিলাখনক স্পৰ্শ কৰি থকা ভাৰত-বাংলাদেশ সীমান্তৰ মুঠ ১৪১.৯০ কিলোমিটাৰৰ ১০৭.২৯১ কিলোমিটাৰ অংশত ফেঞ্চিং দিয়া হৈছে যদিও এতিয়াও উন্মুক্ত ( নপৃষ্ঠাত চাওক)

# ৪, ৮০০ কিঃমিঃ মথাউৰিৰ নিৰ্মাণ কৰিছে ৰাজ্য চৰকাৰে



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ বান পৰিস্থিতি তথা গৰাখহনীয়া ৰোধৰ বাবে ৰাজ্য চৰকাৰৰ জলসম্পদ বিভাগে মথাউৰিসমূহ নিৰ্মাণ তথা সবলীকৰণৰ কাম হাতত লৈছে যদিও এতিয়াও মথাউৰিসমূহৰ মেৰামতি বা পুনৰ নিৰ্মাণ কৰিবলৈ তিনি হাজাৰ কিলোমিটাৰ বাকী থকাত আগন্তুক দিনত হ'ব পৰা বান-গৰাখহনীয়াক লৈ উদ্বেগজনক পৰিস্থিতিৰ সৃষ্টি হৈছে। অসম চৰকাৰৰ জলসম্পদ বিভাগে বৰ্তমানলৈ ৪, ৮০০ কিঃমিঃ নতুনকৈ মথাউৰি নিৰ্মাণ কৰিছে।এই ৪, ৮০০ কিঃ মিঃ মথাউৰিৰ বৰ্তমানলৈ প্ৰায় ১, ৮০০ কিঃমিঃ ওখবা সবলীকৰণ কৰা হৈছে।বাকী ৩, ০০০ কিঃমিঃ মথাউৰিৰ বহন ক্ষমতা বা বান প্ৰতিৰোধ ক্ষমতা কমি গৈছে বুলি ক'ব পাৰি। অসম বিধানসভাত জলসম্পদ বিভাগৰ মন্ত্ৰী সুশান্ত বৰগোহাঁয়ে ৰাজ্যৰ ৪, ৮০০ কিলোমিটাৰ মথাউৰিৰ ভিতৰত ৩ হাজাৰ কিলোমিটাৰ মথাউৰি মেৰামতি বা পুনৰ নিৰ্মাণ কৰিবলৈ বাকী আছে বুলি প্ৰকাশ কৰা তথ্যই স্বাভাৱিকতে চিন্তাত পেলাইছে ৰাজ্যৰ সৰ্বসাধাৰণক।যোৱা ৫ বছৰীয়া কাৰ্যকালত অসম চৰকাৰৰ জলসম্পদ বিভাগে প্ৰায় ৮৬৩ কিলোমিটাৰ মথাউৰিহে ওখ আৰু সবলীকৰণৰ কাম হাতত লৈছে যদিও এই কামসমূহ ৰূপায়ণো অন্তিম পৰ্যায়তহে আছে। এতিয়াও ৪, ৮০০ কিলোমিটাৰ মথাউৰিৰ বৰ্তমানলৈ প্ৰায় ১, ৮০০ কিলোমিটাৰহে ওখ আৰু সবলীকৰণ ( নপৃষ্ঠাত চাওক)

# ছেমি ফাইনেলত প্ৰৱেশ আৰ্জেণ্টিনাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ফিফা বিশ্বকাপৰ কোৱাৰ্টাৰ ফাইনেলত ছুইজাৰলেণ্ডক পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰিলে লিঅ'নেল মেছিৰ আৰ্জেণ্টিনাই। কোৱাৰ্টাৰ ফাইনেলত ছুইজাৰলেণ্ডৰ খেলুৱৈসকলে অনবদ্য যুঁজ দিলে যদিও খেলখনত শেষ হাঁহি আৰ্জেণ্টিনাই মাৰিলে। কানছাছ চিটীত অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত ১২০ মিনিটৰ ৰুদ্ধশ্বাস মহাৰণৰ অন্তত ছুইজাৰলেণ্ডক ৩-১ গ'লত পৰাস্ত কৰি একেৰাহে দ্বিতীয়বাৰৰ বাবে বিশ্বকাপৰ ছেমি ফাইনেলত স্থান নিশ্চিত কৰিলে লিঅ'নেল মেছিৰ দলে। ৯০ মিনিটত ১-১ সমতাত শেষ হোৱা মেচখনৰ ভাগ্য সলনি কৰিলে অতিৰিক্ত সময়ত জুলিয়ান আলভাৰেজে, আৰু শেষ মুহূৰ্তত লাউটাৰো মাৰ্টিনেছে বিজয় দস্তাবেজত মাৰিলে ছীল-মোহৰ। দেওবাৰৰ এই মেচখন আৰম্ভণিৰে পৰাই আছিল আৰ্জেণ্টিনাৰ নিয়ন্ত্ৰণত।প্ৰথমটো গ'ল কৰিছিল আৰ্জেণ্টিনাৰ মেক এলিকাষ্টাৰে। তাতো সহায় কৰিছিল সেই মেছি মেজিকে। বিশ্বকাপৰ সামগ্ৰিক ইতিহাসত এয়া মেছিৰ ১০ নম্বৰ এছিষ্ট। কিংবদন্তি ডিয়েগো মাৰাডোনাক এছিষ্টৰ সংখ্যাত তেওঁ চেৰ পেলালে।কিন্তু সেই গ'লটোৰ পিছত আৰ্জেণ্টিনা যেন কিছু ম্লান পৰি গ'ল। সেই গ'লৰ পাছত মেছিৰ পৰিকল্পিত আক্ৰমণ, মিডফিল্ডাৰৰ নিয়ন্ত্ৰণত চাপত পৰে ছুইজাৰলেণ্ড।কিন্তু দ্বিতীয়াৰ্ধত সম্পূৰ্ণ সলনি হয় ছবিখন। দুৰ্দান্ত প্ৰত্যাৱৰ্তনেৰে ছুইজাৰলেণ্ডে অধিক আত্মবিশ্বাসেৰে আৰম্ভ কৰে খেল। ৬৭ মিনিটত ডান এনডয়ে গ'ল কৰি স্ক'ৰ ১-১ কৰে আৰু মেচখনক দিলে উত্তেজনাৰ শিখৰ।ইয়াৰ পাছত দুয়োটা দলে সৃষ্টি কৰিলে নিশ্চিত সুযোগ। কিন্তু প্ৰতিবাৰেই ব্যৰ্থ।একাধিক নিশ্চিত সুযোগ সৃষ্টি কৰিলেও নিৰ্ধাৰিত সময়ত বিজয়ী নিৰ্ধাৰণ নহ'ল। কিন্তু মাজতে আকৌ ঘটিল অঘটন। ৭২ মিনিটত ( নপৃষ্ঠাত চাওক)

শিশু গল্প

# সহনশীলতা

নমিতা দাস,শুৱালকুছি, শান্তিতোল



এজন খেতিয়ক আছিল। তেওঁ খেতি কৰি কোনো মতে নিজৰ পৰিয়ালটো পোহ পাল দি আছিল। এদিনাখনৰ কথা, খেতিয়ক জনে পথাৰত দুপৰীয়াৰ বাবে খাবলৈ অনা চিৰা-চেনী আৰু এঘটি পানী ওচৰতে থকা এজোপা গছৰ তলত ৰাখি হাল খন লৈ পথাৰত হালবাবলৈ ধৰিলে। দুপৰীয়া সময়ত তেওঁ হালমাৰি ভোক আৰু ভাগৰ লগাত হালখন এৰি উঠি আহিল পথাৰৰ পৰা গছজোপাৰ ওচৰলৈ। ভাগৰত মুৰত মেৰিয়াই লোৱা গামোচা খনেৰেই ঘামি থকা মুখ-হাত মচি গছৰ তলত অলপ জিৰণী ল'লে। কিছু সময় ভাগৰ জুৰাই তেওঁ গছৰ তলত থোৱা চিৰা আৰু পানী ঘটি আনিবলৈ উঠি আহিল। ঘটিটো হাতত লৈ আচৰিত হ'ল। তেওঁ ঘাটিটো চাই দেখে ঘটিটোৰ পানী খিনি নাই। এইবাৰ চিৰাৰ টোপোলাটোলৈ চকু পৰাত টোপোলাটো খুলি দেখে চিৰা খিনিও নাই। ভোক আৰু পিয়াহত তেনেকৈয়ে বহি ৰ'ল কিছু সময়। তেওঁ হাতৰ ঘটিটোলৈ চাই কবলৈ ধৰিলে, "যি জনে মোৰ ভাগৰ চিৰা আৰু পানী খিনি খালে তেওঁ চাগে মোতকৈও বেছি ভোকাতুৰ আৰু পিয়াহ লাগি আছিল সেয়ে তেওঁৰ বাবে বেছি প্ৰয়োজন হ'ল"। সেইদিনা তেওঁ পথাৰৰ পৰা অলপ সোনকালেই ঘৰলৈ গুচি আহিল।

পিছৰ দিনা পথাৰলৈ আহি আন দিনাৰ দৰে চিৰা আৰু পানী ঘটি গছজোপাৰ তলতে ৰাখিলে। তাৰ পিছত তেওঁ হাল খন লৈ পথাৰলৈ নামি আহি হালবাবলৈ ধৰিলে। দুপৰীয়া হল'ত হালখন সামৰি ভোক আৰু ভাগৰ লগাত ঘাটিটোৰ পৰা পানী খাও বুলি ঘটিটো লৈ আনি দেখে যে আগৰ দিনাৰ দৰে আজিও ঘাটিটো খালি হৈ আছে। পানী এটুপিও নাই। ঠিক সেইদৰে চিৰাৰ টোপোলাটোও আগৰ দিনাৰ দৰে খালি চিৰাখিনি নাই ঘটিটো হাতৰ পৰা সেই ঠাইতে ৰাখি আচৰিত হৈ ইফালে সিফালে চাই কাকো কতো নেদেখি তেওঁ ভয়ো খালে কোন হ'ব পাৰে? কোনে বাৰু এনেকুৱা কৰিছে! তেওঁ হাল বাই থকাৰ সময়ত গছজোপাৰ ওচৰলৈ কোনোবা আহিছিল নেকী? কিন্তু এই ঠাইত তেওঁ জীৱ -জন্তু, পশু -পক্ষী, মানুহ একোকে দেখা নাই। পুণৰ তেওঁ অলপ জিৰণী লৈ আগৰ দিনাৰ দৰে কবলৈ ধৰিলে "যিজনে চিৰা আৰু পানী ঘটি খালে তেওঁ চাগে মোতকৈ বেছি ভোকাতুৰ আছিল সেয়ে তেওঁৰ বাবে বেছি প্ৰয়োজন হল"।

এই দৰে তিনি চাৰি দিন যোৱাৰ পিছত খেতিয়ক জনেও প্ৰত্যেক দিনাই তেওঁ খাবলৈ অনা চিৰা আৰু পানীৰ ঘটিটো যি ঠাইতে আনি ৰাখে সেই ঠাইৰ পৰাই চিৰা খিনি আৰু পানীখিনি নোহোৱা হৈ থাকে। সদায় কোৱাৰ দৰে গছজোপাৰ সন্মুখ ভাগতে বহী টোপোলা টো আৰু ঘাটিটো লৈ চাই শান্ত সৌম্য ভাবে কথাখিনি কৈ পুণৰ গছজোপাৰ ওচৰত খালি হৈ থকা ঘটি আৰু টোপোলাটো ৰাখি পথাৰলৈ নামি যায় তেওঁ।

পথাৰতো কেতিয়াও তেওঁ একোকে লগ পোৱা নাই। কিন্তু খাবলৈ আহি একোকেনাপায়। তেওঁ কেতিয়াও দুখ বেজাৰ, খং কৰা নাই, ভোকত থাকি হ'লেও তেওঁ নিজৰ হাল বাই, কাম খিনি নিয়াৰিকৈ কৰি গুচি যায়।

এদিনাখন দুপৰীয়া তেওঁ গছজোপাৰ তলত জিৰণী লৈ থাকোতে গছৰ পৰা সুন্দৰী "পৰী" এগৰাকী নামি আহি তেওঁক ক'লে, আচলতে "মই আপোনাক খং উঠাবলৈ চেষ্টা কৰিছিলোঁ" কিন্তু আপোনাৰ ধৈৰ্য্য আৰু সহন শক্তিয়ে মোক আচৰিত কৰিলে। আজিৰে পৰা আপোনাৰ "ধনে-ধানে উভৈনদী হ'ব, মনেৰে যি বিচাৰে সকলো পাব। কিন্তু আপুনি কেতিয়াও খং কৰিব নোৱাৰিব"। কওঁক পাৰিবনে ? পৰী জনীৰ কথাত খেতিয়ক জন আচৰিত হ'ল। তেওঁৰ দুখীয়া পৰিয়ালটো অন্তত দুবেলা লঘোন নপৰাকৈ খাব পাৰিব, সন্তান দুটি ভাল দৰে থাকিব পাৰিব এই খিনি কথা ভাবিয়েই খেতিয়ক জনে পৰীৰ কথাত সন্মতি জনাই ঘৰলৈ গুচি আহিল।

কেইবছৰ মানৰ পিছত এদিন খেতিয়ক জনে এখন দামী গাড়ীত উঠি পথাৰত খেতি কেনেকুৱা হৈছে লগুৱা বোৰে ভাল দৰে কাম কৰি আছে নে নাই, চাবলৈ আহিল। কেঁচা ৰাস্তাৰে গৈ থাকোতে ৰাস্তাটোৰ সোমাজত জমা হৈ থকা বোকা পানীয়েদি অন্য এজনে গাড়ী চলাই নিয়াত ৰাস্তাৰ বোকা পানী আহি গাড়ীত বহি থকা খেতিয়কৰ গাড়ীত পৰিল। তৎখনাত খেতিয়ক জনে গাড়ী ঘূৰাবলৈ দি পাৰ হৈ যোৱা গাড়ীখন আগচি ধৰি চালকৰ চিতত বহি থকা ড্ৰাইভাৰ জনৰ বুকুত খামুচি ধৰি গাড়ীৰ পৰা নমাই আনিলে। খেতিয়ক জনৰ দামী গাড়ী খনৰ লগতে নিজৰ গাত পৰা বোকা পানীৰ বাবে লোক জনৰ ওপৰত মাৰ-পিট আৰম্ভ কৰিলে। খণ্ডত ৰঙা-চিঙা পৰিল খেতিয়ক জন।

খেতিয়ক জনে পৰিশ্ৰম নকৰাকৈ পোৱা অধিক, টকা-পইচা, ধন- সম্পত্তি য়ে তেওঁৰ তেনে আচৰণ কৰিলে। গতিকে নিজে কষ্ট কৰি আৰ্জন কৰা ধন-সম্পত্তি সুখ আৰু আনৰ ওপৰত কষ্ট নকৰাকৈ পোৱা ধন-সম্পত্তি দুয়োটাৰ মাজত অধিক পৰ্থক্য দেখা পোৱা যায়।

# পোনাকনৰ সপোন



পৰিস্মিতা বৰা হাজৰিকা,মাজুলী

ক'লা ৰঙৰ মাৰুতী কাৰ এখন আহি হঠাৎ অগণন মানুহৰ মাজত ৰৈ গ'ল। সন্মুখত অগণন মানুহৰ ভীৰ আৰু ভীৰৰ মাজত সংবাদ কৰ্মীৰ হেতা ওপৰা। ইমান সৰু লৰাটোক লগ পাবলৈ ইমানবোৰ মানুহৰ ভীৰ হ'ব লাগে নে ?-- পোনাকন সচাকৈয়ে আচৰিত হ'ল। সি ৰাজ্যিক ভিত্তিত খেলুৱৈ হওতেই ইমান মানুহ আজি তাৰ কাষত। সি আৰু ভালকৈ খেলিব। ভালদৰে প্ৰশিক্ষণ লৈ এইবাৰ সি অসমৰ বাহিৰলৈ যাব।

সংবাদ কৰ্মী জনে আগবাঢ়ি আহি তাক প্ৰশ্ন কৰিলে --- তুমি ইমান এখন ভিতৰুৱা গাৱৰ এটি দৰিদ্ৰ পৰিয়ালৰ পৰা কেনেকৈ ইমান দুৰলৈ যাবলৈ সক্ষম হলা ?

সেমেনা সেমেনিকৈ পোনাকনে তলমূৰ কৰিলে। কেনেকৈ কই সি তাৰ অভাৱী জীৱনটোৰ কথা। দেউতাকৰ অবিহনে মাকে তাক কেনেকৈ ডাঙৰ কৰিছে সেইয়া সি আৰু মাকে জানে। ৰাতিৰ আকাশৰ তৰা গণি গণি শুব পৰা তাৰ উকখা পজাৰ কথা কেনেকৈ কই সি ইমান মানুহৰ সন্মুখত। জনা হোৱাৰে পৰা মাকে বাৰীৰ পৰা চিঙি আনি দিয়া বৰটেঙাৰে বল খেলি ভালপোৱা পোনাকনৰ সপোন আছিল ডাঙৰ হৈ সি ভালকৈ ক্ৰিকেট খেলিব। স্কুলৰ পৰা আহিয়েই পথাৰত সমনীয়া লগত বল খেলিবলৈ দৌৰ মৰা পোনাকনক মাকৰ গালি শপনিয়েও ৰখাব পৰা নাছিল। কিন্তু মাকৰ দুখ কষ্টৰ কথা ভাবি সি তাৰ আশাবোৰ বাদ দিছিল।

আজি তাৰ আশাবোৰ সচাকৈয়ে পুৰণ হ'ল। আজি সি এজন ভাল খেলুৱৈ। মাকৰ কষ্টবোৰ আৰু নাইকিয়া হ'ব। সি পোৱা টকাৰে মাকক সি সুখত ৰাখিব। তাক গামোচা আৰু ফুলেৰে আদৰণি জনোৱা দেখি মাকে আনন্দতে কান্দিছে।

পোনাকন, পোনাকন --- কাৰোবাৰ চিঞৰত সি সাৰ পাই চাৰিওফালে চালে। ক'তা তাৰ কাষত দেখুন কোনো নাই। গামোচা আৰু ফুলৰ থোপাবোৰ কলৈ গ'ল আৰু সংবাদ কৰ্মী কেইজন ?? সি অতপৰে তাৰমানে সপোনহে দেখি আছিল। দুচকু সেমেকি উঠিল তাৰ।

উঠ, পোনাকন -- বহুত দেৰি হ'ল। তোক লগ পাবলৈ তহঁতৰ স্কুলৰ বৰুৱা ছাৰ আহিছিল। তই শুই থকা বাবে কথাবোৰ মোকেই কৈ গ'ল। কি কথা মা ?

(বাৰপৃষ্ঠাত চাওক)

# বিচ্ছেদ



হৰেন কপ্তাক, ধেমাজি

এখন প্ৰতিযোগিতা চলে-
কোনে, কাক কিমান
বদনাম গাব পাৰে
এখন প্ৰতিযোগিতা চলে-
কিদৰে, কাৰোবাক কেনেকৈ
শলঠেকত পেলাব পাৰে
এখন প্ৰতিযোগিতা চলে-
পক্ষপাতিত্বই কিদৰে স্থান পাব পাৰে
এখন প্ৰতিযোগিতা চলে-
শুকাই যোৱা ঘা টুকুৰাত
কিদৰে ভেনামাখিৰ জাক
পেলাই দিব পাৰে
নিতৌ বহে জাক জাক শিয়ালৰ
ওকণি চোৰা মেল
উদ্দেশ্যঃ হৃদয় ভঙা খেল
শকুনিৰ কুটিল সূত্ৰত
দোৰোল খায় জীৱন
সুখৰ জিঞ্জিৰি চিঙি বৈ আহে
সংশয়ৰ এখন বিশাল সাগৰ
তাতেই ককবকাই সাঁতুৰে বিচ্ছেদিত জীৱন


# মোৰ মৃত শৰীৰটো



হেৰম্ব নাথ

মোৰ মৃত শৰীৰটো
দাহ কৰাৰ পাছত
কোনো অস্তিত্ব নাথাকিব
আচলতে, মৃত্যুৰ পাছত
কিবা অস্তিত্ব থাকে জানো?
মাথোঁ থাকি যায়
বিশেষণবোৰ.....
মোৰ মৃত শৰীৰটো
তেন্তে মাটিৰ বুকুত বিলীন হ'বলৈ দিওঁ
কিন্তু মাটিয়ে আকোঁৱালি ল'ব জানো?
যদি মাটিয়েই মৃত শৰীৰ এটাৰ ঘৰ
তেন্তে মাটিৰ বুকুত বিলীন হৈ নাযাওঁ কিয়?

# বৰগছ




বৰগছ এজোপা আছিল
যাৰ ঘাইশিপা গোটেই অসম জুৰি বিস্তৃত আছিল
তাৰ পাত, ঠাল-ঠেঙুলিবোৰে প্ৰতিঘৰ মানুহৰ
চোতাললৈকে আৱৰি আছিল
মানুহে তাৰ ছাঁত জিৰণি লৈছিল
মাকবোৰে শিশুবোৰ নিচুকাইছিল, শুৱাইছিল
বতাহত যেতিয়া গছজোপাৰ পাতবোৰ লৰিছিল
তাৰ লহৰত মানুহবোৰ শান্তিতে টোপনি গৈছিল
বাৰিষা ভৰুণ হৈ উঠা নৈখনো আহি
গছজোপাৰ কোলাত জিৰাই পুনৰ উভতি গৈছিল।
বসন্তৰ আগজাননীও সেই গছজোপাই দিছিল
সেই গছজোপা ইঁতৰ প্ৰাণীবোৰৰো আশ্ৰয়স্থল আছিল
এতিয়া গছজোপা নাই
ধুমুহাত হাউলি পৰিল
আচলতে গছজোপা উভালি পেলোৱা হ'ল
এতিয়া মানুহবোৰৰ চিন্তাত টোপনি নাই
শান্তি নাই, আহৰি নাই
গছজোপা পুনৰ উভতাই পোৱাৰ অলীক কল্পনাত ভাৰাক্ৰান্ত
সকলো এতিয়া গছজোপাৰ চাৰিওফালে মাথো চকুপানীৰ সমদল।
সেই গছজোপাৰ নাম — "জুবিন গাৰ্গ"
বি:দ্ৰ: - জনতাৰ শিল্পী, অসম কণ্ঠ, প্ৰতিজন অসমবাসীৰ হিয়াৰ আমঠু "জুবিন গাৰ্গ" ৰ শ্ৰীচৰণত উৎসৰ্গিত

# হত্যাৰ আৰৱ কাহিনী




আজিৰ পৰা বহু বছৰ আগতে ৰাম কুমাৰ নামৰ লোক এজন কামৰ সন্ধানত নিজ মাতৃ ভুমি এৰি আহি নয়নপুৰ নামৰ গাওঁ এখনত থাকিব ল'লে। প্ৰথম অবস্থাত তেওঁ গাঁৱৰ মানুহৰ ঘৰে ঘৰে কাম কৰে, খেতি বাতিৰ কামত গাওঁৰ মানুহক সহায় কৰিব লয়। খুব নম্ৰ বেছ ভদ্ৰ প্ৰকৃতিৰ লোক তেওঁ। তেওঁৰ ঘৈণীয়েক সীতা দেৱী খুব মৰমিয়াল আৰু ধিৰ গম্ভীৰ হয়। এনেদৰে সময় পাৰ হৈ গ'ল। বহুতো বসন্ত ভাল বেয়াৰ মাজেৰে পাৰ কৰিলে দুয়োজনে।

ৰাম কুমাৰৰ দেউতাক পেছাত এজন নাপিত আছিল। চুলি কটা কামটো তেওঁ দেউতাকৰ পৰাই সৰুতে শিকিছিল।

সময় বাগৰিল... ৰাম সীতাৰ ঔৰষত এটি ল'ৰা সন্তান জন্ম হ'ল। সিদিনা এটি উৎসৱ মুখৰ পৰিৱেশ সৃষ্টি হ'ল নয়নপুৰত। উলহ মালহেৰে গোটেই নয়নপুৰ ভুমি নাচি উঠিল সিদিনা। মৰমেৰে গাঁৱৰ মানুহে ল'ৰাটিৰ নাম দিলে মণি। ৰাম কুমাৰেও ল'ৰাটিৰ নাম মণি ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

লাহে লাহে সময় পাৰ হ'ল। ল'ৰাটিও ডাঙৰ হ'বলৈ ধৰিলে। ওচৰৰে এখন বিদ্যালয়ত তাক নাম লগায় দিলে। যিহেতু দিনে দিনে খৰছৰ মাত্ৰা বাঢ়ি গৈছে সেয়েহে ৰামকুমাৰে চহৰত এখন চেলুন খুলি চুলি, ডাৰি কটা কামটো আৰম্ভ কৰি দিলে। ৰামকুমাৰৰ ব্যৱহাৰ আৰু যিহেতু তেওঁ চুলি কটাত পাকৈত আছিল সেয়েহে তেওঁৰ চেলুনত গ্ৰাহকে ভিৰ কৰি থাকে।

সময় বাগৰিল ৰামকুমাৰে চহৰত মাটি অলপ কিনিলে আৰু চহৰতে ঘৰ বান্ধি থকাৰ কথা চিন্তা কৰিলে। চেলুনৰ কামৰ ব্যস্ততাত তেওঁ গাঁৱত থকা পৰিয়ালটিৰ যত্ন ল'ব পৰা নাই। তেওঁ চহৰত ঘৰ বান্ধিলেআৰু এদিন তেওঁ গাওঁ বাসীৰ পৰা বিদায় ল'লে। গাওঁ বাসীয়ে ৰামকুমাৰক হেৰুৱাই চকুলো টুকিলে। গাওঁ এৰিব লগা হোৱাত সীতা দেৱী আৰু ল'ৰাটি ও উচুপি উঠিল। কিন্তু কি কৰিব সময়ৰ আহ্বানক মানিবয় লাগিব।

কুমাৰৰ ল'ৰা মণি এতিয়া চহৰৰ কলেজত পঢ়ে। দেউতাকৰ চেলুনতো আজৰি সময়ত কাম কৰে।

যদুনাথ ৰামকুমাৰৰ নয়নপুৰ গাঁৱৰ বন্ধু। নিজ ভুমি এৰি যিদিনা ৰাম কুমাৰ নয়নপুৰ গাঁৱত আহিছিল এই যদুনাথে তেওঁ লোকক আশ্ৰয় দিছিল। যদুনাথৰ পত্নী যোৱা দুবছৰ আগত ঢুকাইছে। তেওঁৰ একমাত্ৰ ছোৱালী মালা। সিদিনা হঠাৎ যদুনাথ চহৰলৈ আহিল কুমাৰৰ ওচৰলৈ। তেওঁ কুমাৰক এৰা! বন্ধু মই বুঢ়া হৈ আহিছোঁ, তুমি ও দেখোন বুঢ়া হলা। তুমি জানাই যে মালাৰ বাহিৰে মোৰ কোনো নাই। সেয়েহে মই মৰি গ'লে মালা ৰ দায়িত্ব তুমিয়েই ল'ব লাগিব। মনি আৰু মালা সৰু হৈ থাকোঁতে আমি দুয়ো বন্ধুৰ সম্পৰ্ক যাতে আত্মীয় হয় তাৰ বাবে যে আমি দুয়ো সিহঁত ডাঙৰ হ'লে বিয়া যে পতাৰ কথা কৈছিলো মনত আছেনে তোমাৰ?

ৰামকুমাৰ- আৰে! যদু তুমি কি কোৱা?মালা অকল তোমাৰ ছোৱালীয়েই নহয়। তাই মোৰো ছোৱালী হয়। মালা মোৰ বোৱাৰী হোৱাত মোৰ কিহৰ আপত্তি থাকিব। তোমাৰ উপকাৰ মই পাহৰিব নোৱাৰো ও যদু।।

যদু- খণ্ডেৰে, অ'ই কুমাৰ বন্ধুত্বৰ মাজত কিহৰ উপকাৰৰ কথা উলিয়াইছ।

কুমাৰ- বাদ দিয়া সেইবোৰ বাদ দিয়া। ঘৰত বোলা ।সীতাক মাত দি যাব। ভাত খাই যাব লাগিব।

যদু- ভাত নাখাওঁ। সীতাক এবাৰ দেখা কৰি যাওঁ।

কুমাৰ- সীতা ঘৰত কোন আহিছে চোৱা?

যদুক দেখি সীতা উচুপি উঠিল। সিদিনা ভাত নোখোৱাকৈ যদুক আহিব নিদিলে সীতাই।

সময় বাগৰিল... মণি আৰু মালা দুয়ো BA pass কৰিলে। মণি সুন্দৰ সুঠাম যুৱক হৈ উঠিল আৰু মালাও স্বৰ্গ অপেশ্বৰী যেন লগা হৈছে।

ৰাজু চহৰৰ মদাহী গুণ্ডা এজন। তাৰ মা বাপেকৰ পৰিচয় নাই। চহৰৰ দোকান বোৰৰ পৰা তেওঁ মাহে দাদাগিৰি কৰি টকা collection কৰে। কুমাৰৰ দোকানত বিনা পইচ্ছাৰে চুলি কাটে আৰু দাবি ধমক দি টকা লৈ যায়। সহজ সৰল কুমাৰে আনৰ দৰে তেৰোঁ সকলো সহি গৈছে।।

কুমাৰৰ পত্নী সীতা কিবা অচিনাক্ত ৰোগত আক্ৰান্ত হৈ হৈ মৃত্যু হয়। সীতাৰ মৃত্যুত তেওঁ ভাঙি পৰিবলৈ ধৰে। আনফালে নয়নপুৰত যদুনাথো নৰিয়াত পৰে। সেয়েহে কুমাৰে মণি আৰু মালাৰ বিয়া পতাৰ সিদ্ধান্ত লয়। ওচৰৰে মন্দিৰ এটিত বিয়াখন হৈ যায়। বিয়াৰ কিছুদিন পিছত যদুয়েও মাটি বাৰী মালাৰ নামত লিখি দি পৃথিৱীৰ পৰা বিদায় মাগে।

পত্নীৰ মৃত্যু আনফালে বন্ধু যদুৰ মৃত্যুই কুমাৰক সম্পূৰ্ণ ৰূপে ভাঙি পেলাই। মণি আৰু মালাৰ এটি লৰা সন্তান জন্ম পাইছে। নাম তাৰ ৰাখিলে নয়ন। কুমাৰে নয়নপুৰৰ নামেৰে তেওঁৰ নাতীৰ নাম দিলে নয়ন। কাৰন নয়নপুৰতে তেওঁ লাভ কৰিছিল নিস্বাৰ্থ প্ৰেম। বৰ্তমান চেলুনৰ দায়িত্ব সকলো মণিয়ে লৈছে। কিয়নো ৰাম কুমাৰ আজি আৰু পৃথিৱীত জীয়াই থকা নাই।

প্ৰতি মাহেকত ৰাজু গুণ্ডা আহে চেলুন লৈ। সিদিনা ও আহিছিল। মণিৰ চেলুনত চুলি ডাৰি কাটি ৫০০টকা মণিৰ পৰা বিছাৰিলে। মণি য়ে ৫০০ টকা দিলে কিন্তু মা বাপ ধৰি গালি পৰিব বাধা কৰিলে।

ৰাজু- অই পোৱালি তোৰ ইমান সাহস। মোকজ্ঞান দিব আহিছ। ফালি পেলাম তোক।

মণি- আপুনী ডেকা মানুহ। দোকানে দোকানে টকা কিয় খুজে? কাম কৰিব লাগে।

ৰাজু- উচ্চ স্বৰে অই তই বেছি কৰিছ বে। মণিক বুকুত খামুচি ধৰি.. মাৰি পুতি পেলাম।

মণি- আপুনি যাওঁক মোৰ ভুল হৈছে। যিহেতু চেলুনত গ্ৰাহক আছিল মণি শান্ত হ'ল।

ৰাজু চিঞৰি চিঞৰি অশ্লীল ভাষাৰে ওলাই গ'ল। মাহৰ ৩০ তাৰিখ ৰাজু পুনৰ আহিল চেলুনলৈ। ঠিক সেই সময়তে মালাই মণিক দুপৰীয়াৰ আহাৰৰ টিফিন দিব আহিল। মালাৰ সৌন্দৰ্য দেখি তেওঁৰ প্ৰতি বেয়া দৃষ্টিৰে নিৰীক্ষণ কৰিব ধৰিলে সি। মালাই কথাটো অনুভৱ কৰি মুহূৰ্ততে তাৰ পৰা আতৰি গ'ল।

আগলৈ...


# অকথিত অনুভৱৰ ঠিকনা



**শৰৎ দাস, ব্ৰহ্মাজান, গহপুৰ**

তোমাক ভালপোৱাৰ বাবেই
কবিতা লিখোঁ মই-
অকথিত কথাবোৰ,
অপ্ৰকাশিত ছবিবোৰেই
এতিয়া মোৰ কবিতাৰ ছন্দ।
বাৰে বাৰে শব্দবোৰ জুকিয়াই,
বাৰে বাৰে কবিতাৰ নাম বিচাৰি
নীৰৱতাৰ মাজত হেৰাই যোৱা
এজন প্ৰেমিক কবি মই।
এতিয়া শব্দৰ দুৱাৰখন খুলি দিছোঁ-
মনৰ গভীৰ কোণত সাঁচি থোৱা
অব্যক্ত অনুভৱবোৰে
নিসংকোচে বিচাৰি লয়
এতিয়া
মোৰ কবিতাৰ ঠিকনা।
মোৰ কবিতাৰ পথাৰখন
এতিয়া সেউজীয়া নহয়,
সোণোৱালীও নহয়-
ৰংহীন এখন আকাশৰ বুকুত নিতৌ লিখি যাওঁ
ভালপোৱাৰ কবিতা ।
তোমাক ভালপোৱাৰ বাবেই
কবিতা লিখোঁ মই ।


# মৌনতাৰ কায়া



**বনজিত দাস,ৰিহাবাৰী, বজালী**

বিষাদৰ শোভাযাত্ৰাত
মৌনতাৰ নিৰ্জন নদী হৈ
বুকুত বৈ যায় এটোপ এটোপ কৈ
ৰক্তকণিকা ।
শব্দই কৰা বিশ্বাসঘাতকতাত
সাক্ষী মাথো নিৰৱতা ।
আকস্মিক বেদনাৰ গোপন ভাষা
সময়ৰ বুকুত আঁকি যায় দাগ ।
হেৰোৱা সপোনৰ ছাঁ বোৰে
গোপনে গুণগুণাই বিষাদৰ ৰাগ ।
অন্তহীন অপেক্ষাৰ ৰক্তধাৰাৰ সোঁতত
স্পন্দন হৈ থিয় হয়
অৱচেতনাৰ প্ৰতিমূৰ্তি গান্ধাৰীৰ কায়া ।

# যেতিয়া শিশুৰ হাঁহিয়ে শিক্ষকৰ দিনটো উজলাই তোলে



**কানুপ্ৰিয়া ডেকা,বৰপেটা, হাউলী**

**যোৰাখণ্ডৰ পৰা...**

বিদ্যালয়ৰ কৰিডৰ, খেলপথাৰ বা শ্ৰেণীকোঠাত গুঞ্জৰি থকা শিশুসকলৰ হাঁহিৰ শব্দে এক জীৱন্ত পৰিৱেশ সৃষ্টি কৰে। সেই পৰিৱেশে শিক্ষকৰ মনত নতুন উৎসাহ জগাই তোলে আৰু তেওঁলোকক অধিক উদ্যমেৰে নিজৰ কৰ্তব্য পালন কৰিবলৈ অনুপ্ৰাণিত কৰে।

শিশুৰ হাঁহিৰ বিশেষত্ব এই যে ই কোনো স্বাৰ্থৰ পৰা জন্ম নলয়। এটা সৰু প্ৰশংসা, এটা মৰমৰ কথা বা এটা সঠিক দিশ নিৰ্দেশনাই শিশুৰ মুখত হাঁহি বিৰিঙাব পাৰে। আৰু সেই হাঁহি দেখা মাত্ৰেই শিক্ষকে উপলব্ধি কৰে যে তেওঁৰ মৰম আৰু যত্ন বৃথা যোৱা নাই। এটা শিশুৰ চকুত দেখা আনন্দই শিক্ষকৰ বাবে বহু ডাঙৰ পুৰস্কাৰতকৈও মূল্যৱান হৈ পৰে।

এজন শিক্ষক জীৱনত বহু শিক্ষাৰ্থী পায়। বছৰৰ পিছত বছৰ ধৰি নতুন নতুন শিশুৱে আহে আৰু পুৰণিবোৰ আগবাঢ়ি যায়। কিন্তু বহু বছৰৰ পাছতো শিক্ষকৰ মনত কিছুমান মুখ, কিছুমান হাঁহি আৰু কিছুমান স্মৃতি অমলিন হৈ থাকে। কাৰণ সেই হাঁহিবোৰ কেৱল আনন্দৰ মুহূৰ্ত নহয়; সেইবোৰ হৈছে তেওঁৰ শিক্ষক জীৱনৰ সৰ্বশ্ৰেষ্ঠ সম্পদ। যেতিয়া কোনো প্ৰাক্তন শিক্ষাৰ্থীয়ে ডাঙৰ হৈ পুনৰ লগ পায় আৰু আগৰ দৰে হাঁহিমুখে "ছাৰ" বা "মেম" বুলি সম্ভাষণ জনায়, তেতিয়া শিক্ষকৰ হৃদয় গৌৰৱ আৰু আনন্দেৰে ভৰি উঠে।

শিশুৰ হাঁহিয়ে কেৱল এজন শিক্ষকৰ দিনটো উজলাই নোতোলে, ই তেওঁৰ জীৱনটোকো অৰ্থপূৰ্ণ কৰি তোলে। এই হাঁহিয়েই তেওঁক প্ৰতিদিনে বিদ্যালয়লৈ আহিবলৈ উৎসাহ দিয়ে, নতুন প্ৰজন্মক গঢ় দিবলৈ সাহস দিয়ে আৰু সকলো বাধা-বিপত্তিৰ মাজতো আগবাঢ়ি যাবলৈ শক্তি দিয়ে। শিক্ষকৰ বাবে শিশুৰ হাঁহি হৈছে সূৰ্যৰ পোহৰৰ দৰে, যিয়ে অন্ধকাৰ আঁতৰাই আশাৰ বাট দেখুৱায়।

সেয়েহে কোৱা যায় যে শিক্ষকৰ জীৱনৰ আটাইতকৈ উজ্জ্বল মুহূৰ্তবোৰ জন্ম লয় শ্ৰেণীকোঠাৰ সেই সৰু সৰু হাঁহিবোৰৰ মাজতে। শিশুৰ নিষ্পাপ হাঁহি, সৰলতা আৰু আন্তৰিকতাই শিক্ষক জীৱনক এক অনন্য সৌন্দৰ্য্য প্ৰদান কৰে। যেতিয়া শিশুৰ হাঁহিয়ে শিক্ষকৰ দিনটো উজলাই তোলে, তেতিয়া কেৱল এটা দিনেই নহয়, এজন শিক্ষকৰ সমগ্ৰ জীৱনেই যেন নতুন পোহৰেৰে আলোকিত হৈ উঠে।

শিশুৰ হাঁহিৰ সৈতে জড়িত থাকে অসংখ্য অকোৱা কাহিনী। কেতিয়াবা কোনো শিশুৱে প্ৰথমবাৰৰ বাবে নিজৰ নামটো শুদ্ধকৈ লিখিবলৈ সক্ষম হয়, কেতিয়াবা কোনোবাই ভয় কৰিও শ্ৰেণীৰ সন্মুখত থিয় হৈ দুটামান বাক্য ক'ব পাৰে। এই সৰু সৰু সফলতাবোৰ হয়তো বাহিৰৰ পৃথিৱীৰ দৃষ্টিত সাধাৰণ; কিন্তু এজন শিক্ষকৰ বাবে এইবোৰেই মহৎ বিজয়। সেই মুহূৰ্তত শিশুৰ মুখত ফুটি উঠা আনন্দৰ হাঁহিটোৱে যেন কৈ দিয়ে-"আপোনাৰ শ্ৰম বিফল হোৱা নাই।"

এজন শিক্ষকে বহু সময়ত নিজৰ ব্যক্তিগত সুখ-দুখক আঁতৰাই ৰাখি শিশুসকলৰ মাজত নিজকে বিলাই দিয়ে। তেওঁ জানে যে তেওঁৰ এটা মিঠা কথা কোনো শিশুৰ মনৰ ভয় দূৰ কৰিব পাৰে, তেওঁৰ এটা উৎসাহব্যঞ্জক বাক্যই কোনো শিক্ষাৰ্থীৰ জীৱনৰ গতিপথ সলনি কৰিব পাৰে। সেইবাবেই তেওঁ প্ৰতিদিনে চেষ্টা কৰে শ্ৰেণীকোঠাখনক কেৱল পাঠদানৰ স্থান নহয়, বৰঞ্চ মৰম আৰু বিশ্বাসৰ এখন সৰু পৃথিৱী হিচাপে গঢ়ি তুলিবলৈ। যেতিয়া সেই পৃথিৱীখন শিশুৰ হাঁহিৰ শব্দেৰে মুখৰিত হৈ উঠে, তেতিয়া শিক্ষকজনৰ মনত এক অনাবিল তৃপ্তিৰ অনুভৱ জাগি উঠে।

বৰ্তমান সময়ত বহু শিশুৱে বিভিন্ন ধৰণৰ মানসিক চাপ, একাকীত্ব আৰু প্ৰতিযোগিতাৰ বোজা কঢ়িয়াই ফুৰে। এনে সময়ত বিদ্যালয় আৰু শিক্ষকসকলৰ ভূমিকা অধিক গুৰুত্বপূৰ্ণ হৈ পৰে। যদি শিক্ষকজন স্নেহশীল হয়, যদি তেওঁ শিশুসকলক বুজিবলৈ চেষ্টা কৰে, তেন্তে বিদ্যালয়খন শিশুৰ বাবে আনন্দৰ স্থানত পৰিণত হয়। আৰু য'ত আনন্দ থাকে, তাত হাঁহি থাকে; য'ত হাঁহি থাকে, তাত শিক্ষা অধিক ফলপ্ৰসূ হয়।

শিশুৰ হাঁহি আচলতে এটা ভাষা-যি ভাষাত কৃতজ্ঞ তা আছে, বিশ্বাস আছে, নিৰ্ভৰতা আছে। বহু সময়ত শিশুৱে মুখেৰে ক'ব নোৱাৰে যে তেওঁ শিক্ষকজনক কিমান সন্মান কৰে বা ভাল পায়। কিন্তু তেওঁলোকৰ উজ্জ্বল হাঁহিয়ে সেই সকলো কথা নিঃশব্দে প্ৰকাশ কৰে। সেইবাবেই শিক্ষকসকলে শিশুৰ হাঁহিক নিজৰ জীৱনৰ এক অমূল্য সম্পদ হিচাপে সযতনে হৃদয়ত সাঁচি ৰাখে।

সময় বাগৰি যায়। শ্ৰেণীকোঠাৰ বেঞ্চবোৰ সলনি হয়, পাঠ্যক্ৰম সলনি হয়, শিক্ষাৰ পদ্ধতিও সলনি হয়। কিন্তু যি বস্তু কেতিয়াও সলনি নহয়, সেয়া হ'ল শিক্ষক আৰু শিশুৰ মাজৰ সেই স্নেহৰ সম্পৰ্ক। বহু বছৰৰ পিছতো এজন শিক্ষক হয়তো নিজৰ সকলো শিক্ষাৰ্থীৰ নাম মনত ৰাখিব নোৱাৰে, কিন্তু কিছুমান উজ্জ্বল হাঁহি তেওঁৰ স্মৃতিৰ পৃষ্ঠাত চিৰদিনৰ বাবে অংকিত হৈ থাকে। সেই হাঁহিবোৰেই তেওঁৰ শিক্ষক জীৱনৰ সৰ্বশ্ৰেষ্ঠ পুৰস্কাৰ।

সঁচাকৈয়ে, শিশুৰ হাঁহি কেৱল মুখৰ এক অভিব্যক্তি নহয়; ই আশা, সম্ভাৱনা আৰু ভৱিষ্যতৰ প্ৰতীক। এই হাঁহিয়েই শিক্ষকৰ ক্লান্ত মনত নতুন শক্তি সঞ্চাৰ কৰে, নতুন সপোন দেখুৱায় আৰু সমাজ গঢ়াৰ এই মহান যাত্ৰাত তেওঁক আগবাঢ়ি যাবলৈ অনুপ্ৰাণিত কৰে। সেয়েহে, যেতিয়া শিশুৰ হাঁহিয়ে শিক্ষকৰ দিনটো উজলাই তোলে, তেতিয়া সেই পোহৰ কেৱল এজন ব্যক্তিৰ মনলৈ সীমাবদ্ধ নাথাকে; ই সমগ্ৰ সমাজৰ ভৱিষ্যৎকো আলোকিত কৰি তোলে।

# পাৰমাণৱিক চুক্তিত

অষ্ট্ৰেলিয়া আৰু জাপানো। ২০২০ চনত লাডাখত চীনৰ সৈতে হোৱা সংঘাতৰ পিছতে ভাৰত মহাসাগৰত নৌ-যুদ্ধৰ অনুশীলন 'অপাৰেচন মালাবাৰ'ত অংশ ল'বলৈও নতুন দিল্লীয়ে আমন্ত্ৰণ জনাইছিল কেনবেৰাক। যোৱা মাহত ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত সমুদ্ৰ সুৰক্ষাৰ ক্ষেত্ৰত দ্বিপাক্ষিক সহযোগিতা মজবুত কৰি তুলিবলৈ দুয়োখন দেশৰ প্ৰতিৰক্ষা মন্ত্ৰীস্তৰৰ বৈঠকত 'জইন্ট মেৰিটাইম ছিকিউৰিটা কলাবৰেচন ৰোডমেপ' চূড়ান্ত হৈছিল। ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলটো বিশ্বৰ অন্যতম গুৰুত্বপূৰ্ণ সামুদ্ৰিক এলেকা। ইয়াৰ গুৰুত্বপূৰ্ণ সামুদ্ৰিক পথেৰে প্ৰায় ৫০ শতাংশ বিশ্ব বাণিজ্য সম্পন্ন হয় আৰু যিয়ে এছিয়াৰ একাধিক অংশৰ সৈতে বাহিৰৰ অঞ্চলসমূহক সংযুক্ত কৰে।

# টেলিকম টাৱাৰৰ সঁজুলি

আৰক্ষীৰ অভিযানৰ সময়ত বাহনখনত থকা বিয়াজৰ আন তিনিজন সহযোগীয়ে আন্ধাৰৰ সুযোগ লৈ ঘটনাস্থলীৰ পৰা পলায়ন কৰে। ৯ জুলাইত আৰক্ষীয়ে যাৱতীয় আইনী প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি ধৃত অভিযুক্তক অমিংগাঁওস্থিত মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱায়। বৰ্তমান পলাতক বাকী তিনিজন অপৰাধীৰ সন্ধানত আৰক্ষীয়ে তদন্ত প্ৰক্ৰিয়া তীব্ৰতৰ কৰি তুলিছে।

# প্ৰাক্তন তৃণমূল সাংসদ

সৈতে সুখেন্দু শেখৰ ৰায় আৰু প্ৰকাশ চিক বৰাইকেও বিজেপিত যোগদান কৰে। বিজেপিৰ ৰাজ্যিক সভাপতি শমিক ভট্টাচাৰ্যৰ উপস্থিতিত তৃণমূল কংগ্ৰেছৰ এই তিনিওগৰাকী নেতাক দলটোত যোগদান কৰোৱা হয়। দলৰ ছল্টলেকত থকা কাৰ্যালয়ত জ্যেষ্ঠ ৰাজ্যিক নেতৃবৃন্দ উপস্থিত থকা এটা কাৰ্যসূচীৰ সময়ত তিনিওগৰাকী প্ৰাক্তন সাংসদক বিজেপিৰ পতাকা প্ৰদান কৰি দললৈ আদৰণি জনায় ভট্টাচাৰ্যই। তেওঁ লগতে কয় যে তিনিওগৰাকী প্ৰাক্তন সাংসদৰ অভিজ্ঞতাই ৰাজ্যখনত দলটোৰ শক্তি আৰু বৃদ্ধি কৰাত সহায় কৰিব। শেহতীয়াকৈ ২০২৬ৰ বিধানসভা নিৰ্বাচনত তৃণমূল কংগ্ৰেছ ধৰাশায়ী হোৱাৰ পিছতেই ইজনৰ পাছত সিজনকৈ নেতাই দলত্যাগ কৰা দেখা গৈছে। সেই ধাৰাৰেই আগবাঢ়িল সুস্মিতাও। ৰাজ্যসভাৰ সদস্য পদৰ পৰা পদত্যাগ কৰিয়েই নতুন দিল্লীত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰিছিল সুস্মিতা দেৱে। অনানুষ্ঠানিক এক আলোচনাত মুখ্যমন্ত্ৰীয়ে ইংগিত দিছিল যে অতি শীঘ্ৰেই সুস্মিতা দেৱে বিজেপি দলত যোগদান কৰিব। বৃহস্পতিবাৰে মুখ্যমন্ত্ৰীৰ ইংগিত বাস্তৱত পৰিণত হয়। সুখেন্দু শেখৰ ৰয় আৰু প্ৰকাশ চিক বৰাইকে ৰাজ্যসভা আৰু তৃণমূল কংগ্ৰেছৰ পৰা যোৱা মাহত পদত্যাগ কৰিছিল।

# ডিব্ৰুগড়ৰ মোহনাঘাট

জনায়। অসম গণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক পৰাগ জ্যোতি বৰুৱা, কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য উৎপল শৰ্মা, কেন্দ্ৰীয় মহিলা সমিতিৰ কাৰ্যনিৰ্বাহক সদস্যা লুকুমণি বৰা, ডিব্ৰুগড় জিলাৰ সহ: সম্পাদক নিলোৎপল গগৈ, ডিব্ৰুগড় সমষ্টি সমিতিৰ উপ সভাপতি লোকেশ্বৰ ফুকন, গিৰীন দত্ত, ডিব্ৰুগড় সমষ্টি সমিতিৰ যুটীয়া সম্পাদক কিৰণ বৰা আৰু ডিব্ৰুগড় সমষ্টিৰ যুৱ পৰিষদৰ সাধাৰণ সম্পাদক বিক্ৰম চেত্ৰীকে ধৰি সঁজাতি দলে বান গৰাখহনীয়াৰ ক্ষয়ক্ষতিৰ বুজ লয়। জিলা প্ৰশাসনে ক্ষীপ্ৰতাৰে যাৱতীয় প্ৰতিৰোধমূলক ব্যৱস্থাৰ লগতে যুদ্ধকালীন তৎপৰতাৰে খহনীয়া প্ৰতিৰোধৰ কাম আৰম্ভ কৰিছে যদিও ডিব্ৰুগড়বাসী এতিয়া আশংকাত দিন কটাবলগীয়া হৈছে।

# ৪, ৮০০ কিঃমিঃ

কৰা হৈছে। এই তথ্য প্ৰকাশ কৰি মন্ত্ৰী সুশান্ত বৰগোহাঁয়ে বিধায়ক ভুপেন ৰায়ৰ এক প্ৰশ্নৰ উত্তৰ দি কয় যে ৪,৮০০ কিলোমিটাৰ মথাউৰিৰ বাকী ৩ হাজাৰ কিলোমিটাৰ মথাউৰিৰ বহনক্ষমতা বা প্ৰতিৰোধ ক্ষমতা কমি গৈছে। অৱশ্যে জলসম্পদ বিভাগে মাজে-সময়ে মথাউৰিসমূহৰ মেৰামতি কৰি বান প্ৰতিৰোধ কৰাৰ কাৰণে কাৰ্যক্ষম কৰি ৰাখিছে বুলিও সদৰী কৰে মন্ত্ৰীগৰাকীয়ে। মন্ত্ৰীগৰাকীয়ে কয় যে যোৱা ৫ বছৰীয়া কাৰ্যকালত অসম চৰকাৰৰ জলসম্পদ বিভাগে প্ৰায় ৮৬৩ কিলোমিটাৰ মথাউৰি ওখ আৰু সবলীকৰণৰ কাম হাতত লোৱা হয় আৰু কামসমূহ ৰূপায়ণৰ অন্তিম পৰ্যায়ত আছে। মন্ত্ৰীগৰাকীয়ে সদৰী কৰে যে জলসম্পদ বিভাগে মথাউৰি পথ পকীকৰণৰ উদ্দেশ্যে ইতিমধ্যে এহাজাৰ কিলোমিটাৰ মথাউৰিৰ তালিকা গড়কাপ্তানী (পথ) বিভাগক প্ৰেৰণ কৰিছে।

# ছেমি ফাইনেলত প্ৰৱেশ

দ্বিতীয়খন হালধীয়া কাৰ্ডৰ পিছত ৰঙা কাৰ্ড পায় ছুইজাৰলেণ্ডৰ ব্ৰিল এমবলোৱে। ১০জনলৈ সংকুচিত হৈ পৰিল ছুইজাৰলেণ্ডৰ দলটো। শেষৰফালে ১০ জনেৰে যুঁজি তেওঁলোকে মেচখন অতিৰিক্ত সময়লৈ টানি নিয়ে। তথাপি বিনাযুদ্ধে বেজীৰ আগৰ মাটি এৰিবলৈও প্ৰস্তুত নোহোৱাৰ দৰেই সাহসেৰে যুঁজ দিলে ছুইজাৰলেণ্ডে। অতিৰিক্ত সময়তো ১০জনীয়া ছুইছ ডিফেন্সক বিশেষ চাপত ৰাখিব পৰা নাছিল আৰ্জেন্টিনাই। অতিৰিক্ত সময়ত যেতিয়া মেচখন পেনাল্টি শ্বুটআউটলৈ গঢ় লোৱাৰ সম্ভাৱনা ক্ৰমাৎ বৃদ্ধি পাইছিল, ঠিক তেতিয়াই নায়কৰূপে আত্মপ্ৰকাশ হ'ল জুলিয়ান আলভাৰেজৰ। সুযোগ সন্ধানী জুলিয়ানৰ জোতাৰ আগত যেন আঠাৰ দৰে লাগিল বল। ১১২ মিনিটত সুযোগ পোৱাৰ লগে লগে অসাধাৰণ স্থিৰতা, ক্ষিপ্ৰ সিদ্ধান্ত আৰু নিখুঁত ফিনিছিঙেৰে আশাত বন্দী ছুইজাৰলেণ্ডৰ অনুৰাগীৰ বুকুত শেল যেন বহুৱাই গ'লবক্সৰ লক্ষ ভেদিলে জুলিয়ানৰ জোৰদাৰ শ্বটে। ৰচনা হ'ল নতুন কল্পকাহিনীৰ। সেই গ'লটোৱে কেৱল স্ক'ৰলাইন সলনি কৰা নাছিল, সমগ্ৰ মেচখনৰ গতি আৰু মানসিক সমীকৰণো আৰ্জেন্টিনাৰ পক্ষলৈ ঘূৰাই আনিছিল। আলভাৰেছৰ সেই গ'লৰ পিছত সমগ্ৰ আৰ্জেন্টিনা শিবিৰ নতুন উদ্যমেৰে উজ্জীৱিত হৈ উঠে। গ'ল পৰিশোধ কৰাৰ শেষ চেষ্টা চলাইছিল ছুইজাৰলেণ্ডে। কিন্তু সংযোজিত সময়ত প্ৰত্যাক্ৰমণত লাউটাৰো মাৰ্টিনেছে তৃতীয় গ'ল কৰি ৩-১ ব্যৱধান নিশ্চিত কৰে। ৰেফাৰীৰ অন্তিম হুইছেল বজাৰ লগে লগে আনন্দত উল্লাসিত হৈ উঠে নীলা-শুল্ক শিবিৰ, আনহাতে ছুইজাৰলেণ্ডৰ খেলুৱৈসকলৰ চকুত স্পষ্ট হৈ পৰে অপূৰ্ণ সপোনৰ বেদনা।

# অসম চুক্তিৰ ৪১ বছৰ পাৰ হ'ল

অৱস্থাত আছে ৩৪.৬০৯ কিলোমিটাৰ। এই অংশ নদী হোৱাৰ বাবেই এতিয়াও ফেঞ্চিঙৰ ব্যৱস্থা সম্ভৱ হোৱা নাই। সদনত অতুল বৰাই প্ৰকাশ কৰা অনুসৰি শ্ৰীভূমি জিলাক স্পৰ্শ কৰি থকা ৯৮.৩০ কিলোমিটাৰ সীমান্তৰ ৯৩.৯৫ কিলোমিটাৰ অংশত কাঁইটীয়া তাঁৰৰ বেৰ দিয়া হৈছে যদিও এতিয়াও উন্মুক্ত হৈ আছে ৪.৩৫ কিলোমিটাৰ। জিলাখনৰ কুচিয়াৰা নদীৰ পাৰত ভাৰতীয় মানুহৰ বসতি থকা বাবে এই অংশ ব'ৰ্ডাৰ গাৰ্ড বাংলাদেশৰ আপত্তিৰ বাবে কাঁইটায়া তাঁৰৰ বেৰ দিব পৰা হোৱা নাই। উন্মুক্ত হৈ থকা এই সীমান্তৰে অনুপ্ৰৱেশকাৰীৰ আগমনে সৃষ্টি কৰিব পৰা পৰিৱেশৰ প্ৰতি লক্ষ্য ৰাখি আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ বেৰহীন অংশসমূহ এক বিস্তৃত বহুস্তৰীয় সীমা ব্যৱস্থাপনাৰ জৰিয়তে সুৰক্ষিত কৰা হৈছে। মন্ত্ৰী অতুল বৰাই প্ৰকাশ কৰা অনুসৰি সীমান্ত সুৰক্ষা বাহিনীয়ে পৰ্যবেক্ষণ চকী (অপি), বিশেষ এস্বছ, নিয়মীয়া বাহন আৰু নাও টহল, পৰ্যবেক্ষণ টাৱাৰৰ পৰা ২৪ ঘণ্টাই দুৰ্বল অঞ্চলসমূহত নজৰ দি আছে। আনহাতে য'ত গতানুগতিক সীমান্তত বেৰ দিয়া সম্ভৱ নহয়, তেনে অঞ্চল বিশেষকৈ নদীৰ সীমান্ত অঞ্চলেৰে যাতে নদী পাৰ হৈ অনুপ্ৰৱেশ কৰিব নোৱাৰে, ইয়াৰ বাবে কনচাটিনা কইল, কাঁইটায়া তাঁৰ আৰু অন্যান্য কাৰিকৰীগত পদ্ধতিৰে নদী অঞ্চলক প্ৰতিৰোধ কৰি তোলা হৈছে। এই ব্যৱস্থাসমূহৰ উপৰি চিচি টিভি কেমেৰা আৰু পেন-টিল্ট-জুম (পিটিজেড) কেমেৰাকে ধৰি উন্নত প্ৰযুক্তিগত ব্যৱস্থা গঢ়ি তোলা হৈছে। ইফালে অসম চুক্তিৰ ৬নং দফা কাৰ্যকৰীকৰণৰ ক্ষেত্ৰতো ৰাজ্য চৰকাৰে বিশেষ পদক্ষেপ গ্ৰহণ কৰা বুলি উল্লেখ কৰি মন্ত্ৰী অতুল বৰাই কয় যে অসম চুক্তিৰ ৬নং দফাৰ বাবে গঠিত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ প্ৰতিবেদন কাৰ্যকৰী কৰাৰ বাবে ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। প্ৰতিবেদনত দাখিল হোৱা মুঠ ৬৭টা পৰামৰ্শৰ ভিতৰত ৪০টা পৰামৰ্শ অসম চৰকাৰৰ আওতাত পৰা বাবে এই পদক্ষেপসমূহ ইতিমধ্যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত কাৰ্যকৰী কৰাৰ বাবে আগুৱাই নিয়া হৈছে। প্ৰতিবেদনৰ আন ১২টা পৰামৰ্শ অসম চৰকাৰ আৰু ভাৰত চৰকাৰৰ অধীনত হোৱাৰ বিপৰীতে ৰপ্তটা পৰামৰ্শ সম্পূৰ্ণৰূপে ভাৰত চৰকাৰৰ অধীনত। মন্ত্ৰী অতুল বৰাই ইয়াকো স্পষ্ট কৰে যে এই পৰামৰ্শসমূহ এনডিএ চৰকাৰৰ কাৰ্যকালতে সম্পূৰ্ণৰূপে কাৰ্যকৰী কৰা হ'ব। তদুপৰি ছনং দফাৰ অধীনত এতিয়ালৈকে আন কেইবাটাও ব্যৱস্থা কাৰ্যকৰী কৰা হৈছে। সেই অনুসৰি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ জৰিয়তে সংস্কৃতিৰ সম্প্ৰসাৰণ, জ্যোতি চিত্ৰবন ফিল্মছ ষ্টুডিঅ' ছ'চাইটীৰ আধুনিকীকৰণ, অসমৰ ৩৫৯ সত্ৰক আৰ্থিক সাহায্য প্ৰদান, ঐতিহাসিক কীৰ্তিচিহ্নসমূহৰ সুৰক্ষা আৰু সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। উল্লেখ্য যে বিধানসভাত অসম চুক্তি আৰু সীমান্ত ছীল কৰাক লৈ মন্ত্ৰী অতুল বৰাই তথ্য দাখিল কৰি থকাৰ সময়তে বিধায়ক অখিল গগৈৰ বাকযুদ্ধ হয়। অখিল গগৈৰ প্ৰশ্নক লৈ উত্তপ্ত হৈ পৰে সদন। অতুল বৰাৰ বক্তব্যৰ মাজতে অখিল গগৈয়ে এতিয়ালৈ কিমান বিদেশী বহিষ্কাৰ কৰা হ'ল, বাংলাদেশৰ লগত প্ৰত্যাৱৰ্তন চুক্তি সম্পন্ন হ'ল নেকি আদি প্ৰশ্ন উত্থাপন কৰাত ক্ষোভত ফাটি পৰে মন্ত্ৰী অতুল বৰা। মন্ত্ৰীগৰাকীয়ে অখিল গগৈক ইয়াৰ বাবে সুকীয়াকৈ প্ৰশ্ন উত্থাপন কৰাৰ বাবে আহ্বান জনায়। ইয়াৰ পিছতো অখিল গগৈয়ে গুৰুত্বহীন বিষয় অৱগত কৰি থকা বুলি অতুল বৰাক কটাক্ষ কৰাত অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসে ৰুলিং দি স্পষ্ট কৰে যে সংশ্লিষ্ট বিধায়কৰ প্ৰশ্নৰ উত্তৰ দি থকাৰ সময়ত আন কোনো বিধায়কৰ যদি শুনিবলৈ ইচ্ছা নাই তেন্তে তেওঁ সদনৰ পৰা ওলাই যাব পাৰে।

# মাছহাদৰ ইমাম ৰেজাৰ মছজিদত

ছদিনীয়া বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হয়। তেওঁৰ মৃতদেহ ৰখা কফিনটো বিভিন্ন দেশলৈ শেষ শ্ৰদ্ধা নিবেদনৰ বাবে লৈ যোৱা হয়। শেষকৃত্য অনুষ্ঠানত ভাগ ল'বলৈ ভাৰতৰ লগতে বিশ্বৰ বিভিন্ন দেশৰ নেতৃবৃন্দক আমন্ত্ৰণ জনোৱা হয়। এই অনুষ্ঠানত ভাৰতৰ ফালৰ পৰা বিদেশ ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাকে ধৰি দুগৰাকী প্ৰতিনিধিয়ে এই অনুষ্ঠানত ভাগ লয়। ভাৰতৰ এই সদিচ্ছাৰ বাবে দেশখনে ভূয়সী প্ৰশংসা কৰে ভাৰতক। ছদিনীয়া বিশেষ কাৰ্যসূচীৰ অন্তত বৃহস্পতিবাৰে সৰ্বোচ্চ ধৰ্মীয় নেতাগৰাকীৰ কফিনটো উৰুৱাই নিয়া হয় তেওঁৰ জন্মস্থান মাছাদলৈ। আকাশী পথতেই নেতাগৰাকীক স্বাগতম জনায় যুদ্ধ বিমানে। এই দৃশ্যৰ ভিডিঅ' ইতিমধ্যে প্ৰকাশ পাইছে। ভিডিঅ'ত দেখা গৈছে যে বিমানখনৰ ভিতৰত খামেনেই আৰু যোৱা ২৮ ফেব্ৰুৱাৰীত মাৰ্কিন আক্ৰমণত নিহত হোৱা প্ৰয়াত সৰ্বোচ্চ নেতাগৰাকীৰ আন আত্মীয়সকলৰ কফিন ৰখা হৈছে। এই বিমানখনৰ খিৰিকীৰে দেখা গৈছে যে এখন ফাইটাৰ জেটে স্বাগতম জনাইছে খামেনেইৰ কফিনক। অন্ত্যেষ্টিক্ৰিয়াৰ অনুষ্ঠানৰ শেষৰ দিনা বৃহস্পতিবাৰে দক্ষিণ-পূব ইৰানৰ পৱিত্ৰ চহৰ তথা খোমেনেইৰ গৃহ চহৰ মাছহাদৰ ইমাম ৰেজাৰ মছজিদলৈ লৈ যোৱা হৈছিল পতাকাৰে আবৃত তেওঁৰ কফিনটো। খোমেনেইৰ পুত্ৰ তথা উত্তৰাধিকাৰী মোজতাবা খোমেনেই ৰাজহুৱাভাৱে উপস্থিত থকা কোনেও দেখা নাপালে এই অনুষ্ঠানত। যাৱতীয় ৰীতি-নীতি অনুসৰি সেইদিনা সন্ধিয়া কবৰ দিয়া হয়। খামেনেইক শেষ বিদায় জনাবলৈ সেইদিনা মাছহাদৰ ৰাজপথত অগণন মানুহ সমবেত হয়। অন্ত্যেষ্টিক্ৰিয়াৰ এই অনুষ্ঠানৰ নেতৃত্ব দিয়ে ১০১ বছৰ বয়সীয়া আয়াতুল্লা হোছেইন নুৰী হামেদানীয়ে। তেওঁ ইছলামিক প্ৰজাতন্ত্ৰ ইৰানৰ অন্যতম ৰক্ষণশীল নেতা হিচাপে পৰিচিত।

# ভিয়েটনামত নাও দুৰ্ঘটনাত ১৫

১ বজাত (স্থানীয় সময়) নাওখনে লক্ষ্য অভিমুখে যাত্ৰা কৰাৰ কেইমিনিটমানৰ ভিতৰতে দুৰ্ঘটনাটো সংঘটিত হয়। সাগৰত সৃষ্টি হোৱা উত্তাল ঢৌৰ বাবে এনে এটা শোকাবহ দুৰ্ঘটনা সংঘটিত হয় বুলি ধাৰণা কৰা হৈছে। সেই সময়ত বতৰ ফৰকাল আছিল। নাওখন লুটি খাই যোৱাত আটাইবোৰ যাত্ৰী সমুদ্ৰত বুৰ যায়। কোনো কোনো যাত্ৰীয়ে সাঁতুৰি প্ৰাণ বচোৱাৰ চেষ্টা কৰে। দুৰ্ঘটনাটো দেখা পাই স্থানীয় লোকসকলে লগে লগে উদ্ধাৰ কাৰ্যত নামি পৰে। স্থানীয় কৰ্তৃপক্ষৰ সৈতে যোগাযোগ ৰাখিছে ভিয়েটনামৰ ভাৰতীয় দূতাৱাসৰ বিষয়াসকলে। দুৰ্ঘটনাগ্ৰস্ত নাওখনত আছিল ৩২গৰাকী ভাৰতীয় পৰ্যটক। তদুপৰি ৪জন নাৱিক আছিল নাওখনত। নতুন দিল্লীত থকা অন্ধ্ৰপ্ৰদেশ ভৱনৰ বিশেষ আয়ুক্ত ড° আৰ্জা শ্ৰীকান্তই কোৱা মতে ভিয়েটনাম কৰ্তৃপক্ষই নিশ্চিত কৰিছে যে এই দুৰ্ঘটনাত নিহত ১৫জন ভাৰতীয় পৰ্যটকৰ ভিতৰত ৱজন পুৰুষ আৰু দুগৰাকী মহিলা। মৃত পৰ্যটকসকলৰ ১০জন তামিলনাডুৰ, ৩জন অন্ধ্ৰপ্ৰদেশৰ আৰু দুজন কেৰালাৰ লোক বুলি নিশ্চিত কৰা হৈছে। নাওখনৰ পৰা ১৭জন যাত্ৰী আৰু ৪জন নৌ-কৰ্মচাৰীকে ধৰি লোক ২১জন লোকক উদ্ধাৰ কৰা হৈছে। ভিয়েটনামৰ ভাৰতীয় দূতাৱাসে জনোৱা মতে, তেওঁলোকে পৰিস্থিতি পৰ্যবেক্ষণ কৰিছে। একে সময়তে নাওখনত থকা ভাৰতীয়সকলৰ পৰিয়ালবোৰে যাতে উদ্ধাৰ কাৰ্য সম্পৰ্কীয় যাবতীয় তথ্য পায় তাৰ বাবে হেল্পলাইন নম্বৰো মুকলি কৰি দিয়া হৈছে দূতাৱাসৰ তৰফৰ পৰা। হো চি মি চিটীত সহায়তা প্ৰদান কেন্দ্ৰ মুকলি কৰা হৈছে। দূতাৱাসৰ তৰফৰ পৰা কণ্ট্ৰ'ল ৰুমৰ নম্বৰো দিয়া হৈছে। +৮৪ ৩৬ ২৮১ ৭৯৩০, +৮৪ ৯১ ৫৫২ ৩৭ ১৪ আৰু +৮৪ ৩৩ ৪৫২ ০৪১৪ নম্বৰত যোগাযোগ কৰিলে তথ্য পোৱা যাব বুলি কোৱা হৈছে। ভিয়েটনামত থকা ভাৰতৰ দূতাবাসে এক্সযোগে কয়, "অফিচিয়েল সূত্ৰৰ পৰা লাভ কৰা তথ্য অনুসৰি কেইঘণ্টামানৰ আগতে ভিয়েটনামৰ ফু কুৱক দ্বীপৰ ওচৰত নাও দুৰ্ঘটনা হয়, য'ত ৩২ জন ভাৰতীয় ,পৰ্যটক আছিল। আমি হতাহতৰ বিষয়ে অধিক বিৱৰণ নিশ্চিত কৰিছো আৰু অতি সোনকালে সকলো আপডেট কৰিম।" ইফালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভিয়েনামৰ দুৰ্ঘটনা সন্দৰ্ভত সামাজিক মাধ্যম এক্সত কয় যে এই ঘটনাত তেওঁ অত্যন্ত দুঃখিত। তেওঁ আহতসকলৰ আশু আৰোগ্য কামনা কৰে।

# বহুবিবাহ কৰোৱা কৰ্মচাৰীয়ে

কৰা হ'ব। উচ্চচাপযুক্ত পাইপলাইন বিতৰণ নেটৱৰ্কৰ ফলত কেৱল ভূমি অধিগ্ৰহণ খৰচ আৰু পানীৰ অপচয় হ্ৰাস হোৱাই নহয়, বৰঞ্চ ইয়াৰ জৰিয়তে প্ৰকল্পসমূহ ক্ষিপ্ৰতাৰে ৰূপায়ণ কৰাৰ অতিৰিক্ত সুবিধাও পোৱা যাব। এই পাইপলাইনযুক্ত বিতৰণ নেটৱৰ্কৰ সৈতে ক্ষুদ্ৰ আৰু মজলীয়া উত্তোলিত জলসিঞ্চন আঁচনিসমূহ চিনাক্ত আৰু ৰূপায়ণ কৰিবলৈ বৰাক, সোৱণশিৰি, মানাহ, বেঁকী, পুথিমাৰী, জীয়াভৰলী, ধনশিৰি, কপিলী আদিৰ দৰে নদীৰ খৰাং বতৰত ভূ-পৃষ্ঠৰ পানী উপলব্ধতাৰ এক বিতং মূল্যায়ণ কৰা হ'ব। এই লক্ষ্যত উপনীত হ'বলৈ প্ৰায় তিনি হাজাৰ কোটি টকাৰ পৰা চাৰি হাজাৰ কোটি টকাৰ আনুমানিক বিনিয়োগৰ এক প্ৰস্তাৱ বাজেটত গ্ৰহণ কৰা হৈছে। ইফালে, ৰাজ্যৰ প্ৰতিটো উপ-স্বাস্থ্য কেন্দ্ৰত এজনকৈ চিকিৎসক নিযুক্তি দিয়াৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়-স্বাস্থ্য খণ্ডক এক নতুন গতি দিয়াৰ উদ্দেশ্যে এই বাজেটত চিকিৎসক নিযুক্তিৰ বিষয়টোত গুৰুত্ব দিয়া হৈছে। উপ-স্বাস্থ্য কেন্দ্ৰত দৰাচলতে একোগৰাকীকৈ এএমএন নাৰ্ছ থাকে, কিন্তু এইবাৰ একোগৰাকীকৈ চিকিৎসক নিযুক্তি দিয়া হ'ব। ইয়াৰ বাবে স্বাস্থ্য বিভাগত্ব হাজাৰ চিকিৎসকৰ পদ সৃষ্টি কৰা হ'ব। এনএইচএমৰে আমি ৰাজ্যৰ স্বাস্থ্যখণ্ডত বিপ্লৱৰ সৃষ্টি কৰাৰ পাছত চিকিৎসা মহাবিদ্যালয় স্থাপনেৰেও আমি পৰিৱৰ্তন আনিছিলোঁ। এতিয়া আমি আন এক সিদ্ধান্তৰে স্বাস্থ্যখণ্ডত বৈপ্লৱিক পৰিৱৰ্তন অনাৰ পদক্ষেপ লোৱা হৈছে। চাৰি হাজাৰ চিকিৎসক নিযুক্তি দিয়াৰ লগতে তেওঁলোকৰ লগত নাৰ্ছ, টেকনিচিয়ান আদিকে ধৰি ৩৩ হাজাৰ নিযুক্তি হ'ব। ৰাজ্য চৰকাৰে প্ৰতিবছৰে ২০০০ চিকিৎসক উৎপাদন কৰাৰ ক্ষমতা আছে। প্ৰতিবছৰে যদি এখন এখনকৈ চিকিৎসা মহাবিদ্যালয় স্থাপন হয়, অহা ৫ বছৰত অসমে ২৩০০ চিকিৎসক উৎপাদন কৰিব পাৰিব। এই বৃহৎ চিকিৎসকক আমি নাৰ্চিং হোমত নিযুক্তি দি পূৰাব নোৱাৰিম। তাৰ বাবে প্ৰতিটো উপ-স্বাস্থ্য কেন্দ্ৰত নিযুক্তি দিয়া হ'ব একোগৰাকী চিকিৎসক। মুখ্যমন্ত্ৰীয়ে এই বাজেটত আগন্তুক দুবছৰত দুই লাখৰো অধিক নিযুক্তি প্ৰদানৰ প্ৰস্তাৱৰ কথা উল্লেখ কৰি কয়- আমি সংকল্প-পত্ৰত কৈছিলোঁ যে ৰাজ্যত আমি দুই লাখ নিযুক্তিৰ ব্যৱস্থা কৰিম। এই নিযুক্তিৰ বাবে খালী পদ পূৰণেই নহয়, নতুনকৈ পদ সৃষ্টি কৰিও ৰাজ্যৰ যুৱক-যুৱতীৰ আকাংক্ষা পূৰণৰ বাবে কাম কৰা হ'ব। ইতিমধ্যে মুখ্য সচিবৰ অধীনত এটা টাস্ক ফ'ৰ্চ গঠন কৰা হৈছে। বৰ্তমানলৈকে ১ লাখ ১৫ হাজাৰ নিযুক্তিৰ বাবে আমি পদ লাভ কৰিছোঁ, কিন্তু এই সংখ্যাক আমি দুই লাখলৈ নিব খুজিছোঁ। তাৰ বাবে বাজেটত স্পষ্টভাৱে কোৱা হৈছে যে স্বাস্থ্য, শিক্ষা আৰু ৰাজহ উপাৰ্জনকাৰী বিভাগসমূহত পদ সৃষ্টি কৰি ২ লাখ নিযুক্তিৰ সংখ্যাত চৰকাৰ উপনীত হ'ব।

# ৰাজ্যৰ ৭,৯৪৮খন বিদ্যালয়ত

শিক্ষামন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে বিভাগে প্ৰয়োজনীয়তাৰ ভিত্তিত ৪০৫খন হাইস্কুলক উচ্চতৰ মাধ্যমিকলৈ উন্নীত কৰিছিল। সেই সময়ত সিদ্ধান্ত লোৱা হৈছিল যে হাইস্কুলসমূহত পোষ্ট গ্ৰেজুৱেট ডিগ্ৰী থকা স্নাতক শিক্ষকসকলে উচ্চতৰ মাধ্যমিকত পোষ্ট গ্ৰেজুৱেট শিক্ষকৰ কাম কৰিব। বিষয়টো বিভাগৰ নজৰত আছে আৰু ইয়াৰ বাবে এখন ছাৰ্ভিচ ৰুল অনা হ'ব। এই ছাৰ্ভিচ ৰুল অনুসৰিয়ে বিদ্যালয়সমূহৰ প্ৰধান শিক্ষকৰ পদ বিলুপ্ত কৰি অধ্যক্ষ নিযুক্তি দিয়া হ'ব আৰু পোষ্ট গ্ৰেজুৱেট পদ সৃষ্টি কৰা হ'ব। এই ছাৰ্ভিচ ৰূলত পদোন্নতিৰ ব্যৱস্থা হ'ব। শিক্ষামন্ত্ৰী ডাঃ পেগুৱে ২০১৩ চনত শিক্ষকৰ পদ প্ৰাদেশিকীকৰণৰ সময়ত কিছু অস্থায়ী প্ৰধান শিক্ষকৰ পদ প্ৰাদেশিকীকৰণ নোহোৱাৰ বিষয়টো আঙুলিয়াই কয় যে ইতিমধ্যে কেবিনেটে এই অস্থায়ী প্ৰধান শিক্ষকৰ পদ স্থায়ী কৰাৰ সিদ্ধান্ত লৈছে। বিধানসভাত শিক্ষা বিভাগৰ বিভিন্ন প্ৰশ্ন প্ৰসংগত শিক্ষক নিযুক্তি আৰু টিউটৰৰ দৰমহাক লৈ গুৰুত্বপূৰ্ণ মন্তব্য কৰে। এই প্ৰসংগত মন্ত্ৰীগৰাকীয়ে কয় যে এনচিপিৰ নিয়ম অনুসৰি টিউটৰসকলক শিক্ষক হিচাপে নিযুক্তি দিব পৰা নাযায়। টেট বা আন যোগ্যতা অৰ্জন কৰিলেহে শিক্ষকলৈ উন্নীত কৰিব পৰা যাব। টিউটৰসকলৰ দৰমহা প্ৰসংগত শিক্ষামন্ত্ৰীগৰাকীয়ে কয় যে টিউটৰসকলৰ দৰমহা প্ৰতিবছৰে ৬ শতাংশকৈ বৃদ্ধি পায়। ২০২৫-২৬ বৰ্ষতে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। ইফালে বিজেপিৰ বিধায়ক শিলাদিত্য দেৱে সংখ্যালঘু অঞ্চলত একাংশ শিক্ষয়িত্ৰীয়ে সুৰক্ষা অনুভৱ নকৰা বিষয়টো উল্লেখ কৰি তেওঁলোকৰ বদলিকৰণৰ ব্যৱস্থা ল'বলৈ আহ্বান জনায়। বিষয়টো সন্দৰ্ভত শিক্ষামন্ত্ৰীয়ে কয় যে দেশৰ ভিতৰতে শিক্ষক বদলিক লৈ অসমত ব্যতিক্ৰমী আইন অনা হৈছে। অসমত প'ৰ্টেলৰ জৰিয়তে বিগত ৫ বছৰত ৪২ হাজাৰ শিক্ষকৰ বদলিকৰণ কৰা হৈছে। বৰ্তমান এই প্ৰক্ৰিয়া বন্ধ কৰা হৈছে। বহিঃজিলাত ১০ বছৰ চাকৰি কৰা এজন শিক্ষকে বদলিৰ বাবে আবেদন কৰিব পাৰে আৰু পু বছৰ কাম কৰা এগৰাকী মহিলাই বদলিৰ বাবে আবেদন কৰিব পাৰে। বিধানসভাত মন্ত্ৰীগৰাকীয়ে বিভিন্ন স্থানত থকা অপ্ৰাদেশীকৃত বিদ্যালয়সমূহত কৰ্মৰত শিক্ষক-কৰ্মচাৰীসকলৰ প্ৰদেশিকীকৰণৰ বাবে আবেদন গ্ৰহণ প্ৰক্ৰিয়াৰ কথা উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে দিয়া তথ্য অনুসৰি নিম্ন প্ৰাথমিক পৰ্যায়ত এই আবেদন ৬, ১৬৩খন অহাৰ বিপৰীতে উচ্চপ্ৰাথমিক বিদ্যালয়ত ১০, ১০১খন, হাইস্কুল পৰ্যায়ত ৫, ৭৩৩, ছিনিয়ৰ ছেকেণ্ডাৰীত ১, ২২২, উচ্চতৰ মাধ্যমিকত ২০১ আৰু ডিগ্ৰী কলেজৰ পৰা ১, ৬৯৮খন আবেদন আহিছে।

# পঞ্চম টি-২০তো

টি-২০ মেচখনত ঘৰুৱা দলটোৱে জয়লাভ কৰি ৪-০ মসৃণ ব্যৱধানত শৃংখলা জয় কৰে। আনহাতে ভাৰতে প্ৰথমবাৰৰ বাবে একেৰাহে দুটা টি-২০ শৃংখলাত পৰাজয়ৰ সন্মুখীন হয়। ইয়াৰ আগতে আয়াৰলেণ্ডৰ হাতত ভাৰত শৃংখলাত পৰাজিত হৈছিল। উল্লেখযোগ্য যে প্ৰথমখন টি-২০ পৰিত্যক্ত হৈছিল। পঞ্চমখন মেচত ইংলেণ্ডে ভাৰতক ৫৬ ৰানৰ ব্যৱধানত পৰাজিত কৰে। প্ৰথমে বেটিং কৰি ইংলেণ্ডে ২০ অ'ভাৰত তিনিটা উইকেট হেৰুৱাই ২৫৭ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ভাৰতে ২০ অ'ভাৰত ৮ উইকেট হেৰুৱাই ২০১ ৰানহে গোটাবলৈ সক্ষম হয়। ভাৰতৰ হৈ ঈশান কিষানে ৫৬ ৰান, তিলক বাৰ্মাই ৫৩ আৰু শ্ৰেয়াষ আয়াৰে ২৮ ৰান কৰে। ইয়াৰ আগতে ইংলেণ্ডৰ যোছ বাটলাৰে ৬৪টা বলত ১২টা চাৰি আৰু ৮টা ছয়েৰে ১৩১ ৰান কৰে। অধিনায়ক হেৰি ব্ৰুকে ৪৫টা বলত ৯৫ ৰান কৰে। শৃংখলাটোত ভাৰতৰ শোচনীয় পৰাজয়ৰ পাছত এতিয়া আই চি চিৰ টি-২০ ৰেংকিঙত ভাৰতে প্ৰথম স্থান হেৰুওৱাৰ সম্ভাৱনা আছে।

# বাজেটত ৰাজ্যিক

১ এপ্ৰিলৰ পিছত চাকৰিত যোগদান কৰা আৰু যোগদানৰ এবছৰৰ ভিতৰত চাকৰি কৰি থকা অৱস্থাতে মৃত্যুবৰণ কৰা কৰ্মচাৰীসকলৰ পৰিয়াললৈ অনুকম্পামূলক পৰিয়াল পেন্সনৰ ৫০ শতাংশ সুবিধা প্ৰদানৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছে। বাজেটত দৰমহাসহ মাতৃত্বকালীন ছুটীৰ সুবিধা চৰকাৰী ছ'চাইটী আৰু ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ কৰ্মচাৰীলৈ সম্প্ৰসাৰণ কৰাৰ প্ৰস্তাৱ দিয়া হৈছে। বিত্তমন্ত্ৰীগৰাকীয়ে আজি ঘোষণা কৰা বাজেটত ৰাজ্যিক কৰ্মচাৰীসকলৰ বাবে আপোন ঘৰ আঁচনিৰ ম্যাদ ৫ বছৰলৈ বৃদ্ধি কৰা হৈছে আৰু নগৰাঞ্চলত এই আঁচনিৰ ঋণৰ সৰ্বাধিক সীমা ৫০ লাখ টকালৈ বৃদ্ধি কৰা হৈছে। আপোন ঘৰ আঁচনিৰ অধীনত ৫২, ০৩৪ গৰাকী কৰ্মচাৰীয়ে ৮, ৩০০ কোটি টকাতকৈ অধিক গৃহ ঋণ লাভকৰিছে, য'ত ৭০৭ কোটি টকাৰ সুদ ৰেহাই দিয়া হৈছে। আনহাতে আপোন বাহন আঁচনিৰ জৰিয়তে ৮, ৬৩৬ কৰ্মচাৰী উপকৃত হৈছে। মুখ্যমন্ত্ৰী লোকসেৱক আৰোগ্য যোজনাৰ অধীনত ইতিমধ্যে উপলব্ধ ব্যয় পৰিশোধ সুবিধাৰ উপৰি প্ৰতিষ্ঠিত চিকিৎসালয়ক তালিকাভুক্ত কৰি সৰ্বাধিক নগদবিহীন চিকিৎসা সেৱাৰ ব্যৱস্থা কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰাৰ কথাও বাজেটত ঘোষণা কৰা হয়।

# ডিব্ৰুগড়ত তাৰাণা

বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে ক্ৰমে আধুনিক নৃত্য, সত্ৰীয়া নৃত্য, ৰাভা নৃত্য, বৰগীত, ভাৰত নাট্যম নৃত্য প্ৰদৰ্শন কৰে।পিংকী শৰ্মাই ভজন পৰিৱেশন কৰে। গ্ৰীষ্মকালীন নৃত্য কৰ্মশালাত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰী সকল ক্ৰমে - স্নেহা কোঁৱৰ, জীয়া কোঁৱৰ, পূৰবী কোঁৱৰ, তনুশ্ৰী গগৈ, তৃষ্টি তালুকদাৰ, অংকিতা গগৈ, লক্ষ্মীপ্ৰিয়া বৰপাত্ৰ, অৰ্পিতা গগৈ, আৰাধ্যা কোঁৱৰ, জিয়াঞ্চি শইকীয়া, ভাইন্য গগৈ, বাৰ্বি গোঁহাই, অংকিতা মোঞ্জা, অনায়া, ৰশ্মিতা, আনুস্মিতা, বিনস্বী, বিদিশা, শিৱাংগী, দেৱশ্ৰী, দীপা টাইদ, ইয়াং লিয়াম, অনুপ্ৰিয়া, কুঁহি, ভাৰ্গৱ, পুৰবী, বংশী তালুকদাৰ আৰু মনীষা। উপস্থিত বিশিষ্ট ব্যক্তি সকলে সাৰুৱা ভাষণেৰে অনুষ্ঠানৰ সৌষ্ঠভ বৃদ্ধি কৰে। অংশগ্ৰহণ কৰা সকলো ছাত্ৰ-ছাত্ৰীকে বিদ্যালয়ৰ পৰা প্ৰমাণ -পত্ৰ বিতৰণ কৰে বিদ্যালয়ৰ স্বতাধিকাৰী লাকী শৰ্মা দলেই। শলাগৰ শৰাই আগবঢ়ায় লাকী শৰ্মা দলে ।


## ENGLISH NEWS SECTION

# Governor interacts with Assam Civil Service (ACS) officer trainees of 2026 batch



Guwahati,RB News: Assam Governor Shri Lakshman Prasad Acharya today interacted with 44 Assam Civil Service (ACS) Officer Trainees of 2026 batch at Lok Bhavan and called upon them to uphold the highest standards of integrity, compassion and commitment to public service. Welcoming the officer trainees, the Governor congratulated them on joining the Assam Civil Services and described their appointment as both an honour and a solemn responsibility. He said that civil servants serve as the vital link between the ideals of the Constitution and their effective implementation, and urged them to ensure that the benefits of development reach every section of society, particularly the poor, the vulnerable and those living in remote areas. Emphasising that public service is an opportunity to bring meaningful change to people's lives, the Governor advised the trainees to discharge their duties with honesty, empathy, transparency and accountability. He encouraged them to remain lifelong learners, embrace innovation and technology in governance, and always keep the welfare of the people at the centre of their decisions. Drawing inspiration from exemplary civil servants such as S. R. Sankaran and others the Governor urged the trainees to imbibe their values of integrity, courage and dedication to public welfare. Referring to Assam's rapid developmental journey, the Governor said that the young officers have the opportunity to contribute significantly to the State's progress and nation-building. He urged them to be guided by the Constitution, the rule of law and their conscience in every decision they make. Commissioner and Secretary to the Governor S.S.Meenakshi Sundaram, Joint Director AASC Training Dimple Barua, Joint director AASC Sangeeta Devi along with officers of Lok Bhavan and AASC were present at the interactive session.

## Spain Defeats Belgium to Reach World Cup 2026 Semi-finals



RB News: Spain secured their place in the FIFA World Cup 2026 semifinals after defeating Belgium 2-1 in the quarter-final at SoFi Stadium. Spain reached FIFA World Cup semi-finals for the first time since 2010 and second time overall. Spain's Fabián Ruiz opened the scoring in the 30th minute before Belgium's Charles De Ketelaere equalised in the 41st. Substitute Mikel Merino struck the winner in the 88th minute. Spain will face France in semi-finals.

## England defeated India by nine wickets in the fourth T20I




RB News: England defeated India by nine wickets in the fourth T20I in Bristol to take an unassailable 3-0 lead in the five-match series. Opting to bat, India were 48 for 3 in the seventh over but skipper Shreyas Iyer struck an unbeaten 80 off 49 balls to steer India to 158 for seven. He smashed four boundaries and five sixes during his unbeaten knock. For England, Jofra Archer (2/20), Josh Tongue (2/36), Will Jacks (1/28) and Adil Rashid (1/49) were among wickets In reply, Harry Brooks (79 not out) and Phil Salt (59 not out) smashed blistering fifties as England overhauled the target in just 13.5 overs to take an unassailable 3-0 lead in the five-match series.

## Morocco knocked out by France




RB News: Morocco were knocked out of FIFA World Cup 2026 by France after a 2-0 defeat in quarter-final, marking the second consecutive World Cup in which they were eliminated by France with an identical scoreline. Goals from France captain Kylian Mbappé and Ousmane Dembélé secured their place in a third successive semifinal. France had also eliminated Morocco from FIFA World Cup 2022 after securing 2-0 victory in semi-final.

## World No.3 Alexander Zverev defeats Arthur Fery



RB News: World number 3 Alexander Zverev defeated Britain's Arthur Fery in the semi-final to reach his maiden Wimbledon final. Zverev beat wild card Fery 7-6(0), 6-2, 6-4 in two hours and 14 minutes. Fery was the first wild card in 25 years to reach the Wimbledon men's singles semi-finals, and the only British singles player to progress past the second round.

## Sourav Ganguly inducted into ICC Hall of Fame



RB News: Former India captain Sourav Ganguly received one of cricket's highest honours after being inducted into the ICC Hall of Fame on his 54th birthday, becoming the 12th Indian and the 10th Indian men's cricketer to join the elite list. Ganguly joins an illustrious group of Indian legends that includes Sunil Gavaskar, Sachin Tendulkar, Rahul Dravid, Virender Sehwag, Bishan Singh Bedi, Kapil Dev, Anil Kumble, Vinoo Mankad, Diana Edulji, Neetu David and MS Dhoni in the prestigious Hall of Fame. Ganguly acknowledged the recognition with a heartfelt message on X, thanking the ICC and ICC Chairman Jay Shah. "Thank you ICC and Chairman Jay Shah for inducting me into the Hall of Fame. It's a huge honour. One of the 10 Indians to be inducted into the Hall of Fame ever. Amazing to be a part of some great names," he wrote.

# শিশুসকলৰ সামাজিকীকৰণ প্ৰক্ৰিয়াৰ বিকাশত আমাৰ সামাজিক দ্বায়বদ্ধতা



মানসী মিশ্ৰ

একোটি দেৱশিশু প্ৰতিটো পৰিয়াললৈ অহাৰ লগে লগে সেই পৰিয়ালটো আনন্দমুখৰ হৈ উঠে। শিশুসকলৰ ঠুনুক ঠানাক মাত কথা, কলৰৱে সকলোৰে মন ভৰাই ৰাখে। দিনটোৰ সময়খিনি কিদৰে অতিবাহিত হৈ যায় কোনেও কব নোৱাৰে। অলপ বুজা হৈ অহাৰ লগে লগে অকণমান মাত ফুটিবলৈ আৰম্ভ হোৱাৰ লগে লগে নতুনকৈ চিনাকি হোৱা পৃথিৱীখনৰ বিষয়ে নানা কৌতূহল, মনত কিমান যে প্ৰশ্ন। পৰিয়ালটোত লগ পোৱা প্ৰতিগৰাকী ব্যক্তিয়েই শিশুৰ বাবে আপোন আৰু যিসকলৰ সান্নিধ্যত থাকে তেওঁলোকলৈ শিশুৰ কৌতূহলী মনত নানা প্ৰশ্ন সোমাই থাকে। কিছুবছৰ আগৰ সমাজ ব্যৱস্থালৈ যদি আমি মন কৰোঁ তেন্তে আমি দেখিবলৈ পাওঁ যে সেইসমূহ শিশু একোখন ভৰা ঘৰৰ মানুহৰ মৰম চেনেহৰ মাজত ডাঙৰ দীঘল হৈছিল। বেছিভাগ শিশুৱে ককাক আইতাকৰ উমাল মৰম সান্নিধ্য পাইছিল। নিজৰ মাক দেউতাকৰ লগত যিমান আপোনভাৱে কটায় ঠিক একেদৰে এইসকল ব্যক্তিৰ সৈতে নিবিড়ভাৱে কটোৱাৰ সান্নিধ্য লাভ কৰিছিল। কিয়নো সেই সময়ত যৌথ পৰিয়াল ব্যৱস্থাৰ প্ৰচলন আছিল। সন্ধিয়া পৰত ঢাৰি পাটি পাৰি লৈ ককাক আইতাকে আলফুল মৰমেৰে সাৱটি কিমান যে সুন্দৰ সুন্দৰ সাধু কথা কৈছিল আৰু এই সাধুকথাতে জীৱনৰ বাবে প্ৰয়োজনীয় বহু কথা শিকাইছিল। ইঘৰ সিঘৰ ওচৰ চুবুৰীয়া মানুহবোৰৰ ঘৰলৈ সঘন আহ-যাহ আছিল আৰু সেইবাবেই তেওঁলোকে ভিন্ন লোকৰ মৰম, আদৰ লাভ কৰিছিল। সেইসময়ত যৌথ পৰিয়ালৰ সংখ্যা অধিক আছিল আৰু যৌথ পৰিয়ালত ডাঙৰ হোৱা বাবে ল'ৰা ছোৱালী সকলৰ সামাজিক, মানসিক বিকাশ অলপ সহজতে হৈছিল। ধাননি পথাৰত খোজকাঢ়ি, বোকামাটি গছকি প্ৰকৃতিৰ সেউজীয়াবোৰ নিজ হাতেৰে চুই ডাঙৰ-দীঘল হোৱাৰ সুযোগ লাভ কৰিছিল আৰু সেইবাবে পৃথিৱীৰ আচল বাস্তৱতাক ওচৰৰ পৰা দেখা পাইছিল। শিশুসকলক ভাল নোপোৱা, মৰম নকৰা মানুহ বোধ হয় এই প্ৰকৃতিত কমেই থাকে। গতিকে তেওঁলোকক যলৈকে লৈ যোৱা হয়, তেওঁলোকে তাৰ পৰাই মৰম, আদৰ বুটলিবলৈ সক্ষম হয়। যৌথ পৰিয়ালত ডাঙৰ হোৱা বাবে, বিভিন্ন জনৰ মৰম, সান্নিধ্য লাভ কৰা বাবে আগতে ল'ৰা ছোৱালীসকলৰ সামাজিক বিকাশ, ব্যৱহাৰিক জ্ঞানৰ বিকাশ সহজেই হৈছিল। ধাননি পথাৰত খোজ কাঢ়ি, বোকামাটি গছকি প্ৰকৃতিৰ সেউজীয়াবোৰ নিজ হাতেৰে চুই চাই ডাঙৰ দীঘল হোৱাৰ সুযোগ লাভ কৰিছিল। সেইবাবে পৃথিৱীৰ আচল বাস্তৱতাক তেওঁলোকে বৰ ওচৰৰ পৰা দেখা পাইছিল। কিতাপৰ পৰা তেওঁলোকে যিখিনি জ্ঞান আহৰণ কৰিছিল, তেওঁলোকে প্ৰতিটো দিনৰ বাস্তৱ অভিজ্ঞতা সমূহৰ পৰাও সমানে জ্ঞান আহৰণ কৰিছিল। সেইবাবে জীৱনৰ প্ৰতিটো দিনতে সন্মুখীন হোৱা ভিন ভিন পৰিস্থিতিৰ সৈতে তেওঁলোকৰ মোকাবিলা কৰিবলৈ সহজ হৈছিল। এতিয়া আৰু আমাৰ সমাজত এই যৌথ পৰিয়াল ব্যৱস্থাৰ সলনি হ'ল। যৌথ পৰিয়ালসমূহো সৰু হৈ একক পৰিয়াল হ'ল। একক পৰিয়াল ব্যবস্থাটো আমাৰ সমাজত অহাৰ লগে লগে পৰিয়াল সমূহ সংকুচিত হ'বলৈ ধৰিলে। পৰিয়াল সমূহৰ অধিকাংশই নগৰবাসী/চহৰমুখী হ'ল। ইয়াৰ লগে লগে পিতৃ-মাতৃৰ লগত সন্তান সকলে জীৱন অতিবাহিত কৰিবলগীয়া হ'ল। লগতে অধিকাংশ মানুহেই যিহেতু ফ্লেটসমূহৰ আবাসী হৈ পৰিল গতিকে তেওঁলোকৰ শিশুসকলেও এক আৱদ্ধ পৰিৱেশত সময় অতিবাহিত কৰিব লগীয়া হ'ল। ইয়াৰ লগে লগে অধিকাংশ মানুহেই যিহেতুকে ফ্লেট সমূহৰ আবাসী হৈ পৰিল গতিকে স্বাভাৱিকতে মানুহৰ লগত মিলা মিছা কৰাৰ সুযোগ কমকৈ পাবলৈ ধৰিলে। অধিকাংশ পৰিয়ালত পিতৃ মাতৃ দুয়োগৰাকী কৰ্মত নিয়োজিত হৈ থকাৰ বাবে নিজৰ সন্তানক সময় দিবলৈ, সন্তানৰ সৈতে কিছুসময় পাৰ কৰিবলৈ অভাৱ হয় সময়ৰ। বেছিভাগ সময়ত শিশুসকলক ঘৰৰ বনকৰা মানুহৰ হাততে তুলি দিয়া হয়। বহুসময়ত ল'ৰা ছোৱালী "ক্ৰেছ" (শিশুৰ আপদান গৃহ) দিনৰ দিনটো ৰখাৰ ব্যৱস্থা কৰা হয়। শিশুসকল বিদ্যালয়ৰ পৰা আহি পোৱাৰ পিছতেই শিশুসকলৰ লগত খেল ধেমালি কৰিবলৈ তেনে কোনো লগৰীয়া নাথাকে আৰু ফলত বনকৰা শিশুৰ লগতে সময় অতিবাহিত কৰিবলগীয়া হয়। এনে অৱস্থাত বহুসংখ্যক শিশুৱে নিজৰ ম'বাইল ফোনটোকে সংগী হিচাপে লয়। এনে বহুত শিশু আছে যি সকলে হাতত ম'বাইল ফোনটো চাই চাই খাদ্য বস্তুসমূহ গ্ৰহণ কৰে। ম'বাইল ফোন সমুখত নাৰাখিলে বহুতো শিশুৱে খাদ্য গ্ৰহণ কৰিবই নোৱাৰে। বহু পৰিয়ালত মাক দেউতাক সকলেও ভাবি লয় যে হাতত ম'বাইল ফোনটো তুলি দিলেই শিশুসকল সুখী হৈ পৰিব আৰু তেতিয়া তেওঁলোকৰ বাবে সকলো কথা সহজ হৈ পৰিব। শৈশৱতে যদি শিশুসকল ম'বাইল আসক্ত হৈ পৰে তেন্তে পিছৰ বয়সত বহু চেষ্টা কৰিলেও হাতৰ পৰা মবাইল ফোন এৰুৱাই নিয়াটো অসুবিধাজনক হৈ পৰে। এতিয়া আমি নিজৰ আত্মীয়ই হওঁক অথবা পৰিচিত বন্ধু বান্ধৱৰ ওচৰলৈ ফুৰা চকা কৰিবলৈ যাওঁ তেন্তে এক সহজলভ্য দৃশ্য আমি দেখবলৈ পাওঁ য'ত তেওঁলোকৰ সন্তান সকলে ম'বাইল ফোনটোতে ব্যস্ত হৈ থকা দেখিবলৈ পোৱা যায়। আগতে ঘৰলৈ কোনোবা আলহী অতিথি আহিলে সৰু সৰু ল'ৰা ছোৱালী সকলৰ মনত অপাৰ আনন্দৰ সৃষ্টি হয়। নানা কথাৰে, নানা প্ৰশ্নৰে আলহীৰ পিছে পিছে ফুৰে। আলহী পুনৰ নিজৰ ঘৰলৈ উভতি যোৱাৰ সময়তো যথেষ্ট বেজাৰ অনুভৱ কৰিছিল। কিন্তু আজিৰ দিনত তেনে কোনো প্ৰতিক্ৰিয়া হোৱা দেখিবলৈ পোৱা নাযায়। ঘৰলৈ আলহী অহা যোৱা, ভাল লগা, বেয়া লগা সম্পৰ্ক বহুতে বুজিয়ে নাপায়। আনকি বহু ল'ৰা ছোৱালী আছে যিসকলে মানুহৰ ঘৰলৈ ফুৰিবলৈ যাবলৈ লগ ধৰিলে ইচ্ছা প্ৰকাশ নকৰে। এইসকল ল'ৰা ছোৱালীৰ বাবে ম'বাইল ফোনটো প্ৰকৃত সংগী হৈ পৰে। ম'বাইল ফোনটোৰ বাহিৰে তেওঁলোকে মানুহৰ সংগৰ প্ৰয়োজন অনুভৱ নকৰে। জীৱনটো এক প্ৰকাৰ এটা কুঠৰী আৰু ম'বাইলৰ পৃথিৱীখনতে আৱদ্ধ হৈ থাকে এই সকল শিশুৰ জীৱন। বেছি ভাগ ক্ষেত্ৰতে শিশুসকল ঘৰৰ বনকৰা মানুহৰ মাজতে থাকিবলগীয়া হয়। গতিকে তেওঁলোকৰ হাতত অন্য উপায় নাথাকে। নিজৰ পিতৃ মাতৃয়ে তেওঁলোকৰ নিজস্ব সময়ৰ অভাৱৰ হেতুকে ল'ৰা ছোৱালীহঁতক গেম খেলি ব্যস্ত থাকিবলৈ ম'বাইল ফোনটো তেওঁলোকৰ হাতত তুলি দিয়ে। এনেকৈয়ে এই সকল ল'ৰা ছোৱালীৰ জীৱনটো সৰুৰে পৰাই একপ্ৰকাৰ যান্ত্ৰিক হৈ পৰে। জীৱনৰ সুন্দৰ সুন্দৰ অনুভৱ বিলাক এওঁলোকে উপভোগ কৰিব নোৱাৰা হয়। ভাৰ্চুৱেল জগতখনক লৈয়েই সীমাবদ্ধ হয় এওঁলোকৰ জীৱনৰ সকলো অনুভৱ। বহুতৰে ভিতৰত থকা প্ৰতিভাসমূহ তেওঁলোকে ভালদৰে বাচি উলিয়াই প্ৰতিপালন কৰিব নোৱাৰে। যন্ত্ৰৱৎ হৈ পৰে এওঁলোকৰ জীৱন।

শিশুসকলৰ এইছোৱা সময়তে সামাজিকীকৰণ প্ৰক্ৰিয়া আৰম্ভ হয়। গতিকে এই কথাটো প্ৰতিগৰাকী পিতৃ মাতৃয়ে গুৰুত্বসহকাৰে উপলব্ধি কৰা উচিত। প্ৰতিগৰাকী পিতৃ মাতৃৰ নিজৰ দৈনিক কৰ্মসূচীখনত ল'ৰা ছোৱালী সকলৰ সৈতে সময় ৰাখিব লাগে। এই সময়ছোৱাত নিজৰ প্ৰতিভা সমূহৰ উদঘাটন কৰি ল'ৰা ছোৱালীক আগবঢ়াই লৈ যাবলৈ যত্ন কৰিব লাগে। ল'ৰা ছোৱালীৰ লগতে তেওঁলোকৰ Hobby অৰ্থাৎ ভাল লগা কামসম্পৰ্কত আলোচনা কৰিব লাগে।খেল ধেমালি কৰাৰ সুযোগ সুবিধাখিনি পিতৃ-মাতৃয়েই দেখুৱাই দিব লাগিব। খেল ধেমালি কৰিবলৈ গ'লে ল'ৰা ছোৱালীৰ শাৰীৰিক আৰু মানসিক বিকাশ সম্পূৰ্ণ হোৱাৰ লগে লগে ল'ৰা ছোৱালীয়ে সমনীয়া ল'ৰা ছোৱালীক লগ পায় আৰু ভাবৰ আদান প্ৰদান কৰিব পাৰে। বন্ধৰ দিনত মুকলি সময়ত আত্মীয় স্বজনে লগ সমনীয়াৰ ঘৰলৈ অহা যোৱা কৰিব লাগে। এই সমূহে মৰম, আন্তৰিকতা, আত্মীয়তাৰ বান্ধোন সুদৃঢ় কৰে। যিমান সম্ভৱ সময় উলিয়াই ল'ৰা ছোৱালীক আত্মীয় স্বজন, সম্পৰ্কীয় মানুহৰ মাজলৈ লৈ যাব লাগে। আমাৰ সমাজত সুন্দৰ সুন্দৰ সম্পৰ্ক ককা, আইতা, বৰমা, বৰদেউতা, খুৰা-খুৰী, পেহা-পেহী আদি সম্পৰ্ক সমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ সুযোগ দিব লাগে।

মানুহৰ মাজত সুখ-দুখ, মৰম, ভালপোৱা আদি অনুভৱ, অনুভূতি সমূহ মনত জাগ্ৰত হ'লে মানুহে জীৱনৰ বাস্তৱতাক উপলব্ধি কৰাৰ সুযোগ লাভ কৰে। আমি আমাৰ ভৱিষ্যত প্ৰজন্মৰ শিশুসকলৰ সামাজিকীকৰণ প্ৰক্ৰিয়া সঠিকভাৱে সম্পন্ন কৰিব পাৰিলে সুস্থ, সামাজিক জীৱন যাপন কৰাটো সহজ হৈ পৰে। গতিকে প্ৰতিগৰাকী শিক্ষকে সামাজিক, মানসিকভাৱে সুস্থ সবল কৰি তুলিবলৈ আমি পিতৃ-মাতৃ জ্যেষ্ঠসকলে এই ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব লাগে।

## পোনাকনৰ সপোন

তেওঁ বোলে তোক গুৱাহাটীলৈ নিব খেলৰ প্ৰশিক্ষণৰ বাবে। আমাৰ ইয়াৰ মুঠ পাচঁ জন। তাৰ মাজতে তইয়ো পৰিছ সোন। তায় হেনো ভালকৈ ক্ৰিকেট খেলিবলৈ শিকাব।

মাকৰ কথা শুনি সি আনন্দত আত্মহাৰা হ'ল । তাৰ মানে তাৰ সপোনটো সচাকৈয়ে পুৰণ হ'ব। আবেগত মাকক সাবটি ধৰি সি হুকহুকাই কান্দি উঠিল । দৰিদ্ৰতা কেতিয়াও সপোন পুৰণত হেঙাৰ হ'ব নোৱাৰে ।

ৰঙিলী বাৰ্ত্তা কৰ্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ ঁমহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286

# Good Evening, Ma'am

মীনাক্ষী গোস্বামী, যোৰহাট



যোৱা কালি সন্ধিয়া মই আৰু মোৰ স্বামী ঘৰৰ সৰু-সুৰা বস্তু কেইটামান কিনিবলৈ ওচৰৰে বজাৰখনলৈ বুলি ওলাই গৈছিলোঁ। বজাৰখন ওচৰতে হোৱা বাবে আমি সাধাৰণতে খোজ কাঢ়িয়েই যাওঁ। মোক ফুটপাথৰ কাষত অলপ অপেক্ষা কৰিবলৈ কৈ মোৰ স্বামী পাচলি বজাৰখনৰ ফালে সোমাই গ'ল। মই পথৰ মানুহবোৰৰ অলেখ লেখ চাই থিয় হৈ ৰৈ আছোঁ। ঠিক তেনেকুৱাতেই এজন ওখ-পাখ সুদৰ্শন যুৱক আহি মোৰ সন্মুখত থিয় হৈ
মৃদু হাঁহি এটা মাৰি ক'লে-
"Good evening, Ma'am."

কথাষাৰ কোৱাৰ লগে লগে তেওঁ পোনে পোনে মোৰ ভৰি স্পৰ্শ কৰিলে। বজাৰৰ মাজত হঠাৎ এনে এটা পৰিস্থিতিয়ে মোক অলপ অপ্ৰস্তুত কৰি তুলিলে যদিও মই নিশ্চিত হলো যে এওঁ মোৰ কোনোবা প্ৰাক্তন ছাত্ৰ। কিন্তু সময়ে মুখখন ইমান সলাই দিছে যে সহজে চিনি পোৱাই কঠিন।

তেওঁ নিজেই হাঁহি হাঁহি ক'লে, - "মেম, মোক পাহৰিলে নেকি? মই ৰাহুল... ৰাহুল দত্ত। আপোনালোকৰ এসময়ৰ মূৰৰ কামোৰণি।"

লগে লগেই মোৰো মনত পৰি গ'ল - অ' তুমি ৰাহুল! এতিয়া বাৰু মই তোমাক এইটো চেহেৰাত কেনেকৈ চিনি পাওঁ? ক্লাছ টেনৰ সেই সৰু মটিয়া ল'ৰাটো এতিয়া একেবাৰে ডাঙৰ মানুহ হৈ গ'লা। তাৰ পিছত সুধিলোঁ, - "কোৱাচোন, এতিয়া তুমি কি কৰি আছা?"

ৰাহুলে এক প্ৰবল আত্মবিশ্বাসেৰে নিজৰ জীৱনৰ অগ্ৰগতিৰ বিষয়ে মোক ক'বলৈ ধৰিলে কেনেদৰে তেওঁ উচ্চতৰ মাধ্যমিকৰ পিছত দিল্লীলৈ গৈ আইন পঢ়ি স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিলে আৰু বৰ্তমানে এটা আন্তঃৰাষ্ট্ৰীয় কোম্পানীত আইন উপদেষ্টা হিচাপে কৰ্মৰত হৈ আছে। ৰাহুলৰ এই সফলতাৰ বাতৰিয়ে মোক বুকুৰ ভিতৰত এক অৱৰ্ণনীয় আনন্দ দিলে। ভাবিলোঁ, যি ল'ৰাটোৰ বাবে এসময়ত আমি ইমান চিন্তা কৰিছিলোঁ, সি আজি নিজৰ জীৱনটো সুন্দৰকৈ গঢ়ি তুলিবলৈ সক্ষম হৈছে। এজন শিক্ষক হিচাপে ইয়াতকৈ ডাঙৰ পুৰস্কাৰ আৰু কি হ'ব পাৰে? অলপ সময় কথা বতৰা পাতি ৰাহুলে পুনৰ লগ পোৱাৰ প্ৰতিশ্ৰুতিৰে বিদায় ল'লে মোৰ পৰা।

ঠিক সেই সময়তে মোৰ স্বামীও বজাৰৰ পৰা উভতি আহিল। আমি ঘৰমুৱা হ'লোঁ। কিন্তু উভতি যোৱাৰ গোটেই বাটটো মোৰ মনত কেৱল ৰাহুলৰ কথাই আৱৰি থাকিল।

লাহে লাহে স্মৃতিৰ পৰ্দাখন খুলি গ'ল... প্ৰায় এৰৈশ বছৰ আগৰ কথা। ক্লাছ থ্ৰীত তেতিয়া নতুনকৈ নামভৰ্তি হৈছিল এটি মৰমলগা ল'ৰা-ৰাহুল। তাৰ চকুত আছিল দীপ্তি, কথাত আছিল আত্মবিশ্বাস। ক্লাচৰ সকলো কাৰ্যতে আগ ৰণুৱা ৰাহুল। তৰ্ক প্ৰতিযোগিতা, আকস্মিক বক্তৃতা, চিত্ৰাংকন-সকলোতেই ৰাহুলৰ আগস্থান। কেইদিনমানতে সকলো শিক্ষক-শিক্ষয়িত্ৰীৰ মৰমৰ পাত্ৰ হৈ পৰিছিল ৰাহুল। কিন্তু ক্লাছ ফাইভ ছিক্স মানৰ পৰা ৰাহুলৰ চাল চলন বোৰ কিছু সলনি হ'বলৈ ধৰিলে। সি সকলো কাৰ্যতে অলপ অমনোযোগি হ'বলৈ আৰম্ভ কৰা হ'ল।

এদিন নৈতিক শিক্ষাৰ ক্লাছত শিক্ষকজনে সকলোকে নিজৰ আটাইতকৈ ভালপোৱা বিষয়টোৰ ওপৰত ছবি আঁকিবলৈ দিলে। কোনোবাই পাহাৰ আঁকিলে, কোনোবাই ফুল, কোনোবাই ঘৰ।

ৰাহুলে আঁকিলে এখন ব্যতিক্ৰমী ছবি এখন হৃদয়, হৃদয়ৰ এফালে এগৰাকী মহিলা, আনফালে এজন পুৰুষ।
শিক্ষকে ৰাহুলক সুধিলে, - "এই দুয়োজন কোন?"
ৰাহুলে বৰ সহজকৈ ক'লে, - "মোৰ মা আৰু দেউতা।" "মই দুয়োকে বহুত ভাল পাওঁ। কিন্তু তেওঁলোক একেলগে নাথাকে। মই কেৱল বিচাৰোঁ, তেওঁলোক দুয়ো মোৰ লগত থাকক।"

কথাখিনি কওঁতে সি হাঁহি আছিল। কিন্তু সেই হাঁহিৰ আঁৰত লুকাই আছিল এটা শিশুৰ অসীম শূন্যতা। তাৰ মাক-দেউতাকৰ বিবাহ বিচ্ছেদ হৈছিল। প্ৰথম অৱস্থাত ৰাহুল মাকৰ লগত আছিল। পিছত দেউতাকে জোৰকৈ নিজৰ ওচৰলৈ লৈ আহিছিল। মাকে কেতিয়াবা স্কুল ছুটিৰ পিছত বা বন্ধৰ সময়ত পুতেকক লগ কৰিবলৈ আহিছিল। মাকক লগ পাবৰ দিনা সি বৰ ফূৰ্তিৰে থাকে। দেউতাকৰ পৰিয়ালত ককাক, আইতাক, খুড়াক সকলোৱে ৰাহুলক বৰ মৰম কৰিছিল, কিন্তু এই সকলোবোৰৰ মাজতো ৰাহুলে মাকৰ মৰম বিচাৰি ব্যাকুল হৈ পৰিছিল। কোনো কোনো সময়ত সি শ্ৰেণী -শিক্ষয়ত্ৰী সকলোকো কৈছিল তাৰ দেউতাকক কৈ মাকক তাহাতৰ লগলৈ লৈ আনিবলৈ। সৰু ল'ৰা এটাৰ মনলৈ শান্তি ঘূৰাই আনিবলৈ স্কুলৰ পৰা বহু প্ৰচেষ্টাও চলোৱা হৈছিল। কিন্তু মাক দেউতাকৰ ইগ'ৰ ওচৰত ৰাহুলৰ হেপাহ বোৰ ক'ৰবাত হেৰাই গ'ল। লাহে লাহে মাকক ৰাহুলক লগ কৰিবলৈও নিদিয়া হ'ল।

দুজন প্ৰাপ্তবয়স্ক মানুহৰ ইগ'ৰ ওচৰত এজন শিশুৰ চকুপানীৰ কোনো মূল্য নাছিল। মাকৰ মৰম বিচাৰি বিচাৰি ৰাহুলৰ অন্তৰখন শুকাই গ'ল। যি ল'ৰাটোৱে এসময়ত প্ৰতিযোগিতাৰ মঞ্চ কঁপাইছিল, সি লাহে লাহে পঢ়াশুনাৰ পৰা আঁতৰি গ'ল। খঙাল, অবাধ্য, অস্থিৰ হৈ পৰিল। ক্লাছ টেনৰ পৰীক্ষা কোনোমতে পাৰ কৰিলে। তাৰ পিছত ৰাহুলক আন স্কুললৈ লৈ গ'ল। পিছত শুনিলোঁ, সি নিচাৰ কবলত পৰিছে। দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ প্ৰথম দিনা তাক শেষবাৰৰ বাবে দেখিছিলোঁ। গোটেই গাত কটা-চিঙাৰ দাগ। দেউতাকে কৈছিল, "ৰাস্তাত পৰি দুখ পাইছে।"

পিছত জানিলোঁ, আচলতে নিচাৰ কবলত পৰা ৰাহুলক দেউতাকে মৰিয়াই-মৰিয়াই পৰীক্ষা কেন্দ্ৰলৈ আনিছিল। সেইদিনা ঘৰলৈ উভতি আহোঁতে মোৰ বুকুখন বৰ বিষাইছিল । ভাবিছিলোঁ- এটা উজ্জ্বল নক্ষত্ৰ হয়তো চিৰদিনৰ বাবে আকাশৰ পৰা সৰি গ'ল। কিন্তু যোৱা কালিৰ সাক্ষাতে যেন মোক বিশ্বাস কৰাইছিল- কেতিয়াবা অলৌকিক ঘটনাও ঘটে। সেই আনন্দতেই মই মোৰ এগৰাকী পুৰণি বান্ধৱীক ফোন কৰিলোঁ। তেওঁ ৰাহুলৰ অলপ দূৰ সম্পৰ্কীয়ও হয়। উৎসাহেৰে সকলো ক'লোঁ।

তেওঁ কিছু সময় নীৰৱে থাকি মাত্ৰ এটা বাক্য ক'লে- "ৰাহুলে তোমাক সকলো মিছা কথা কৈছে। সি কোনো আন্তঃৰাষ্ট্ৰীয় কোম্পানীত চাকৰি নকৰে। সৰু-সুৰা ব্যৱসায় কৰে। নিচা এৰিছে নে নাই, সেয়াও নিশ্চিত নহয়। স্বভাৱটোও বিশেষ সলনি হোৱা নাই।"


মই বহু সময় একো ক'ব নোৱাৰিলোঁ। ফোনটো থৈ দিছিলোঁ। খিৰিকীৰে আকাশখনলৈ চাই ৰ'লোঁ। মোৰ বুকুত তেতিয়া এটা প্ৰশ্নই ঘূৰি ফুৰিছিল- ৰাহুলে মোক মিছা কিয় ক'লে? মোৰ ওচৰত নিজৰ ব্যৰ্থতা লুকুৱাবলৈ? নে...

এজন শিক্ষকৰ চকুত তেওঁ আজিও সেই আশা ভৰা, প্ৰতিভাৱান ৰাহুল হৈ জীয়াই থাকিব বিচাৰিছিল? মই উত্তৰ বিচাৰি নাপালোঁ। কিন্তু এটা কথা বুজিলোঁ-জীৱনত বহু সময়ত মিছা কথাও সফলতাৰ অহংকাৰৰ বাবে কোৱা নহয়; কোৱা হয় অপূৰণীয় সপোনৰ লাজ ঢাকিবলৈ।

সেইদিনা বজাৰৰ ভিৰত মোৰ ভৰি চুই "Good evening, Ma'am" বুলি কোৱা যুৱকজন হয়তো কোনো আন্তঃৰাষ্ট্ৰীয় কোম্পানীৰ আইন উপদেষ্টা নাছিল। কিন্তু তেওঁ এতিয়াও মোৰ ছাত্ৰ। আৰু শিক্ষক হিচাপে মই আজিও প্ৰাৰ্থনা কৰোঁ- এদিন যেন সি আনক নহয়, নিজকো আৰু মিছা ক'ব নালাগে।

কাৰণ, শিশুৰ হৃদয়ত মাক-দেউতাকৰ সংঘাতৰ যি দাগ পৰে, সময়ে হয়তো শুকুৱাই দিয়ে, কিন্তু সম্পূৰ্ণ মচি পেলাব নোৱাৰে। কেতিয়াবা সেই দাগবোৰেই জীৱনৰ আটাইতকৈ দীঘলীয়া কাহিনী হৈ ৰৈ যায়।

# ধনশিৰি বুকুত সুৰৰ ঢৌ



ৰুমী কলিতা দত্ত, ২ নং কেন্দুগুৰি, ডিব্ৰুগড়

ধনশিৰি বুকুত লাইছাং শৃঙ্গই
সুৰৰ ঢৌ তুলি
নচোৱালে মনৰ পখিলাজনী,
বতাহৰ শব্দবোৰ পান কৰি
বৈ যায় জলপৰী ।
স্মৃতিবোৰ বিচাৰি পোৱাৰ হেঁপাহত
ধনশিৰিক ললোঁ দুহাতে সাৱটি,
শান্ত সমাহিত নৈখনে ক'লে
বুটলি লোৱা জোনাক এমুঠি ।
ময়ো ভাবিলোঁ, ..লৈ যাওঁ একোঁচ হালধিয়া
ভৰি পৰিব বুকৰ ভিতৰৰ নিজান পৃথিৱী,
হৃদয়ৰ বলুকাত হ'ব মৰম 'উভৈনদী' ।
সময়ৰ ফলিখনত নিমিলা অংকবোৰ কৰি কৰি
মই ভাগৰা নাই
তথাপি, মোৰ সপোন আউলী-বাউলী।
তুমি নামিবলৈ ভয় নকৰিবা
সেউজ বোলেৰে বোলোৱা মৰম উপত্যকা
জোনাকৰ চাদৰ লৈ দূৰ কৰিবা
জীৱনৰ অন্তহীন বোজা !
বিৰহৰ জুইকুৰা দপদপাই জ্বলিলেও
তুমি জ্বলি নমৰিবা
ডেউকা মেলিলে হ'ব পাৰে "প্ৰেম আধৰুৱা"
নদীৰো এখন হৃদয় আছে বাবেই
চলি আছে বহু যুঁঘৰ আখৰা !

# The plague of division



**Jahnabi Borah**

The planet Earth was once a single landmass. Over time, it was divided into continents, then into nations, states, districts, subdivisions, and etc. etc. Human societies also drew boundaries based on geography, language, ethnicity, tribe, religion, customs, and traditions. These divisions helped organize societies and preserve distinct cultures. However, despite these countless boundaries, humanity continues to inhabit the same planet. The challenge begins when these identities become reasons for separation, superiority, or conflict rather than coexistence. If people define themselves solely by their religion, tribe, caste, or region, they risk forgetting the deeper truth that they belong to one human family. Diversity can enrich civilization, but it should not become a justification for division or hostility. The ultimate measure of a society is not how many boundaries it creates, but how peacefully people with different identities can live together while respecting one another's equal dignity and rights. Similarly, people began to divide themselves. Humanity was once united, but over time it fragmented into different religions. Yet even after this division, people did not find peace. They introduced further distinctions within religions, leading to more sects and internal divisions. What follows next? After religion come caste, lineage, and social hierarchy. Even within the same religion, people distinguish themselves by clan and ancestry, your lineage is different from mine, your caste is different from mine. Then come notions of higher and lower status. People begin to judge one another by profession, wealth, or social standing, asking who is superior and who is inferior.

People separate themselves by skin colour. Every difference becomes another basis for division. If this process were to continue indefinitely, humanity would keep fragmenting until only two individuals remained. Yet even then, they would likely find reasons to distinguish themselves from one another. Ultimately, one may even begin to divide the self recognizing that the individual is not a single, indivisible entity, but a composition of many parts: the heart, the liver, the kidneys, the brain, and countless others. In that sense, even the individual is not truly one; the self itself is made up of many components. The tendency to divide, if carried to its extreme, has no natural end. What is the final destination of humanity? If people continue to divide themselves at every stage of history, what group will ultimately remain? After passing through endless layers of division, where will human beings finally belong? Will there be any groups left at all, or will every individual stand alone? As humanity keeps fragmenting by geography, nation, religion, caste, ethnicity, language, class, profession, and countless other identities, the number of groups increases while the sense of shared humanity diminishes. If every distinction becomes another boundary, the process of division has no logical end point. It continues until each individual becomes a separate category, defined only by their own unique identity. Yet every person enters the world alone and ultimately leaves it alone. If individuality is the final reality, then what does unity truly mean? Is unity the absence of differences, or is it the ability of unique individuals to coexist without allowing their differences to become barriers? Perhaps the deepest form of unity is not uniformity but the recognition that, despite our countless identities, we all share the same humanity. If division is endless, then unity cannot mean becoming identical; it must mean remaining connected despite our differences.

The idea of' division' itself is not always negative. It can be useful for organization or understanding differences. However, when these divisions are used to create inequality, discrimination, or conflict, they become harmful.

# পুৰুষ তান্ত্ৰিক সমাজত কন্যা সন্তান কিমান সুৰক্ষিত ?



**ৰিমী হাজৰিকা, মাজুলী**

সমগ্ৰ সামাজিক মাধ্যম তোলপাৰ লগোৱা এটা বাতৰি - "ৰাজস্থানত ১৩ বছৰীয়া নাবালিকাক ধৰ্ষণ ৩২ জন পুৰুষৰ" কি এক লজ্জাজনক খবৰ! পুৱাৰ পৰা সন্ধিয়া লৈকে প্ৰতি দিনাই ধৰ্ষিতা হোৱাৰ খবৰে বৰ্তমান সমাজৰ ফোপোলা স্বৰূপক দাঙি ধৰিছে। শিক্ষিত সমাজৰ পৰিচয় দি অহা, সভ্য সমাজৰ বাসিন্দা বুলি চিহ্নিত কৰা এনে এখন আধুনিক সমাজ, য'ত এজনী কণমানি নাবালিকা মুক্ত মনেৰে ওলাই যাব নোৱাৰে । যিটো বয়সত কণমানি শিশুৱে পখিলা খেদি ফুৰে, সমনীয়াৰ সৈতে একেলগে হাঁহি ধেমালি কৰে, তেনে এক সময়তেই সিহঁতি বলি হৈছে যৌনতাৰ, বদনামী হৈছে ধৰ্ষীতা বুলি। এই বয়সত সিহঁতি যৌনতা কি চিনি নাপায়, ধৰ্ষিতা কাক কয় বুজি নাপায়, এনে এক সৰলতাৰ সময়ত নৰ পিশাচ বোৰৰ কামনাৰ বলি হয়। এই পিশাচ বোৰক কি শাস্তি দিয়া উচিত, সেইয়া কিন্তু চিন্তা কৰাৰ মানসিকতা নাই আমাৰ সচেতন মহলাৰ, কেৱল দোষ দিব জানে সেই নিৰ্দোষী কণমানি জনীক। এইখনেই আমাৰ পিতৃ তান্ত্ৰিক সমাজ। যিখন সমাজ ত কেৱল নাৰীক দোষ জাপি দিয়ে, ঘৰৰ ভিতৰত আবদ্ধ থাকিব লাগে বুলি যুক্তি দাঙি ধৰে, কিন্তু নাৰীক যে সন্মান কৰিব লাগে, সেই কথা বুজাৰ মানসিকতা নাই।

এই অপৰাধত কেৱল পিতৃ তান্ত্ৰিক সমাজ ব্যৱস্থা ই জগৰীয়া নে? ইয়াত দেশৰ আইনী ব্যৱস্থাও নিশ্চিতভাৱে জগৰীয়া। চকুৰ সন্মুখত দেখি থকা ধৰ্ষণ কাৰী কেইটা, যাক নেকি আমি নৰ পিশাচ বুলি কওঁ সিহঁত আজিও মুক্ত আকাশৰ তলত মুকলি মনেৰে ঘুৰিছে ।

মৌমিতা দেৱনাথ, নন্দিতা শইকীয়া কে আদি কৰি হাজাৰ হাজাৰ ধৰ্ষিতা আজিও বঞ্চিত ন্যায়ৰ পৰা। যিখন দেশত "বেটি বচাও, বেটি পঢ়াও" আঁচনিৰ শ্লোগান দিয়ে, সেইখন দেশতেই কন্যাক ধৰ্ষণ কৰি হত্যা কৰে। টকাৰ অজুহাতত আইনৰ সুৰুঙাৰে সাৰি যোৱা ধৰ্ষণ কাৰী বোৰে পুনৰ বাৰ একেই অপৰাধ কৰাৰ সুযোগ লাভ কৰে।

গতিকে কেৱল আইনী ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰিলে আমাৰ এই সমস্যাৰ সমাধান হয়তো কোনো দিনেই নহ'ব। কিয়নো, আমাৰ দেশৰ আইনী ব্যৱস্থা অতীকে দুৰ্বল। যিখন দেশৰ ৰাষ্ট্ৰৰ মুৰব্বী গৰাকীয়েই নাৰী, সেইখন দেশতেই কন্যা শিশুৰ এনে দুৰাবস্থা, অসহনীয়! আমি আজিৰ নাৰী সমাজ সচেতন হ'ব লাগিব, পুৰুষ তান্ত্ৰিক সমাজৰ শিকলি চিঙি আমি আমাৰ বাবে আইন নিজে প্ৰস্তুত কৰিব লাগিব। তেতিয়াহে আমাৰ কন্যা শিশুক সুৰক্ষা কৰিব পৰা যাব।